REFERENCE
(Not for Issue)
...nly Inside Library

# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION

VOLUME II

No. 23

The 8th may 1970

सत्यमेव जयते

1988
PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### BUDGET SESSION

### VOLUME II

NO. 23

The 8th May 1970

**Proceedings of The Ninth Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong, at 9 A.M. on Friday the 8th May 1970.

PRESENT

Shri Mohi Kanta Das, M. A., B. L., Speaker, in the Chair, Eight Ministers, Six Ministers of State, three Deputy Ministers and Fourty Three Members.

STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

**Re : Chaiman of the Regional Research Laboratory**

Shri Debeswar Sarmah asked :

*190. Will the Chief Minister be pleased to state—

(a) Whether he is the Chairman of the executive council committee of the Regional Research Laboratory at Jorhat ?

(b) If so, whether he is conversant with the affairs of the R. R. L. ?

Shri Bimala Prasad Chaliha ( Chief Minister ) replied :

190. (a)—Yes, of the Executive Council.

(b)—Broadly conversant.

Shri Gaurisankar Bhattacharyya : Who is the Chairman ?

( Shri Debeswar Sarmah : He himself )

Shri Bimala Prosad Chaliha : Yes.

Shri Debeswar Sarmah : I have two supplementaries : No, 1 - Has the Chief Minister read the report of the Employment Review Committee and if so what he proposes to do to improve the position ? It is unfortunate that the employment position of .......

Shri Bimala Prosad Chaliha: Sir, I have started studying the report, I have not completed it,

Shri Debeswar Sarmah: My next question is: whether any research is being conducted, or rather completed or being conducted now, which is of any utility to this region? Of course, we have heard that Mr. Iyenger is experimenting the cultivation of paddy in 'Machang' Several feet high.

Shri Bimala Prosad Chaliha: All these research which have been carried out will be of importance for this region.

Shri Debeswar Sarmah: What is the basis of the reply of the hon. Chief Minister?

Shri Bimala Prosad Chaliha: Sir, the papers and the file in this connection have gove to the Assembly Secretariat in connection with a privilege motion. I do not have all the files with me. But for example, whatever the research is carried out with timber or coal or pulp, these are all matters which concern Assam.

Shri Debeswar Sarmah: Since the papers are not with him and since it is a matter of urgency and importance, would you Mr. Speaker Sir, be pleased to put it over for next week at the convenience of the Chief Minister so that he may have papers

in the meantime? My information on good authority is that nothing of any utility; even though there are lots of experiments, has been done for this region, which was not already done in Dehradun and Hyderabad or other State laboratories, in other words, during the 5 or 7 years of the existence of this Laboratory at Jorhat nothing new and useful has been done. Therefore, the Chief Minister should to satisfy himself in this matter, After all, he is the Chief Minister of the State chairman of the executive council of the Laboratory and he should satisfy himself with what is being done in the Research Laboratory which may be of some use to the local youths. Therefore, I request you to put it over next week.

Shri Bimala Prosad Chaliha : Yes Sir this may be put over next week as I have no papers with me now.

(The std. Q. No. 190 was deferred. Starred Question No. 191 was not put and answered to as the Questioner was absent.)

Re: Pensions to Political Sufferers

Shri Durgeswar Saikia asked:

*192 Will the Minister Political Suffcres be pleased to state—

(a) Whether it is a fact that of late some petitions from Political Sufferers were recommended

by the Subdivisional Boards for granting Pensions ?

(b) Whether the cases were disposed of ?

(c) If not, how long it will take to dispose ?

Shri Abdul Matlib Mazumdar (Minister, Political Sufferers) replied :

162. (a) – Yes.

(b) & (c)—The cases have been scrutinised and those found eligible under the rules will be considered in the next meeting of of State Advisory Board scheduled to be held on 30th May 1970.

Shrimati Lily Sengupta : অধ্যক্ষ মহোদয়, Advisory Board ৰ পৰা বৰ্ত্তমান আৰ্থিক প্ৰয়োজনীয়তাৰ ভিত্তিত পেন্সনৰ হাৰ বৃদ্ধি কৰিবৰ কাৰণে বিবেচনা কৰা হৈছেনে ?

Shri Abdul Motlib Mazumder : In some special cases the pension of Rs. 50·00 has been raised to Rs. 75 00. If such matter is brought to the notice of the Advisory Board, it will be Looked into'

Shri Debeswar Sarmah : অধ্যক্ষ মহোদয়, কিছুমান political Sufferer ক ৫০, টকা কিছুমানক ৭৫, টকা দিছে।

( Voices ৬০, টকা দিয়ে )

আৰু কিছুমানক অলপ বেছি দিয়া হয়। যিসকলক বেছি দিয়া হৈছে সেই সকলক আমাৰ চৰকাৰে বা cabinate এ দিছে; তাত মোৰ কব লগীয়া নাই। কিন্তু আমাৰ স্বৰ্গীয় কৃষ্ণকান্ত শৰ্ম্মাৰ পৰিবাৰ আৰু শ্ৰীমতী ফুলকুমাৰী দেৱ, আমাৰ স্বৰ্গীয় Deputy Leader ৰৰ পৰিবাৰ আৰু স্বৰ্গীয় অৰুণ কুমাৰ চন্দ শিলচৰৰ, এই কেই গৰাকী ৰাজনৈতিক নিৰ্য্যাতনৰ পেন্সন অতি সামান্য হৈছে, এইটো কিছু বঢ়াই দিবলৈ চৰকাৰে বিবেচনা কৰিবনে? আৰু কিছুমানে C. I. D. কৰিও পেন্সন পায় আৰু কিছুমানে ৰজাৰ তামোল পান কাটিও পেন্সন পায়, গতিকে তেওঁলোকেও কিছু সৰহীয়াকৈ পাব লাগে। এই কথা মই আমাৰ মুখ্যমন্ত্ৰীক কৈছিলোঁ। কিন্তু তেখেতে নেলাগে বুলি কলে। কিন্তু আজি তেখেত সকলৰ জহত আমি এই অৱস্থা পাইছোঁ। গতিকে আমি কিবা অলপ নিদিলে পাপ লাগিব। সেই কাৰণে যিসকল Political Sufferer এ পেন্সন পাবৰ কাৰণে দৰ্খাষ্ট দিছে, সেই সকলক পেন্সন দিবলৈ বিবেচনা কৰা হোৱা নাই। মই উদাহৰণ এটাহে দিছোঁ মোক নেলাগে বাৰু?

( হাঁহি )

মই ১৯২০ চনৰ পৰাই political Sufferer. ১৯৫২ চনত যি বিলাকে কংগ্ৰেছত যোগ দিছিল সেই সকলেই আছিল Member কিন্তু তাৰ আগৰ খিনি Political Sufferer ই আছিল।

এতিয়া যিসকল Political Sufferer আছিল, সেই সকলে আজিলৈকে দৰ্খাষ্ট দি আছে। তাৰ ভিতৰত কিছুমান মৰি শেষ হল, কিছুমান তিলতিলকৈ মৰিব লাগিছে, যাৰ জহত আমি স্বাধীনতা ভোগ কৰিছিলোঁ গতিকে সেই সকলৰ কাৰণে অলপ বিবেচনা কৰিবলৈ অনুৰোধ কৰিলোঁ।

Shri Abdul Matlib Mazumder : এতিয়াও যদি দৰ্খাষ্ট দি আছে, তেন্তে Next advisory Board ত বিবেচনা কৰা হব।

Shrimati Lily Sengupta : এই সদনৰ এজন সদস্য স্বৰ্গীয় হেমচক্ৰৱৰ্ত্তীৰ পৰিবাৰে এখন দৰ্খাস্ট দিছিল সেই মন্ত্ৰী মহোদয়ে পাইছেনে ?

Shri Abdul Matlib Mazumder : I don't remember to have received any such petition.

## Re: Pension to Political Sufferers

Smti Pranita Talukdar asked :

*193 Will the Minister, Political Sufferers be pleased to State—

(a) How many Political Sufferers are there in Assam who have not got pension ?

(b) Whether Government propose to give pension to all deserving Political Sufferers ?

(c) Why the meeting for Assam Political Sufferers Advisory Board has not yet been called ?

(d) When the last meeting of the said Board was held ?

Shri Abdul Matlib Mazumdar Minisrer, Political Sufferers) replied :

193. (a)—As the Political Sufferers normally apply for pension after attaining the Prescribed age and on being reduced to such straits as are envisaged in the rules, it is not possible to give the number of sufferers who have not been granted pension.

(b)—Government propose to grant Political Pension

to the political sufferers who are eligible under the rules and apply for such benefit.

(c)—The next meeting of the State Advisory Board for Political Sufferers has been fixed on 30th may 1970.

(d)—On 28th March 1963

Shrimati Pranita Talukdar : Mr. Speaker Sir, whether the Minister-in-charge of Political Sufferers is aware of the fact that many petitions of deserving Political Sufferers of Barpeta Sub-Division are lying pending due to non-holding of meeting ?

Shri Abdul Matlib Mazumdar : Sir, petitions coming from the whole of the State have been pending and have been scrutinised to be considered on the meeting of the 30th March, 1970.

Shri Atul Chandra Goswami : ইয়াৰ আগৰখন মিটিং হৈছিল ১৯৬৮ চনৰ মাৰ্চ মাহৰ ২৮ তাৰিখে। ১৯৬৮ চনৰ ২৮ মাৰ্চত যি সকল লোকক Provincial Board এ Pension দিছিল তেওঁলোকৰ বহুতে এই Pension দিয়াৰ পাচতো পোৱা নাই। এই কথা চৰকাৰে জানেনে ?

Shri Abdul Matlib Mazumdar : It is not known to the Government. Pension must have been received by the grantee. When it has been referred to the Government, we will look into it.

Shri Atul Chandra Goswami ; মই দুটা নাম জানো। নগাৱ জিলাৰ কলিয়াবৰ এলেকাৰ শ্ৰীঠানুৰাম বৰা আৰু শ্ৰীলিপিকান্ত বৰা। তেওঁলোকে Pension পোৱা নাই যিহেতুকে তেওঁলোক কংগ্ৰেছ পাৰ্টিৰ মানুহ নহয় অন্যদলৰ মানুহ। ইতিমধ্যে মই Chief-minister ৰ অসুস্থতাৰ কাৰণে তেখেতৰ Secretary লৈ লিখা লিখি কৰিছো কিন্তু আজিলৈকে একো উত্তৰ পোৱা নাই। সেইটো মন্ত্ৰীমহোদয়ে চাবনে ?

Shri Abdul Matlib Mazumdar : Sir, that cannot be a fact that because the grantee belongs to the other party, his case was not looked into. If the cases are referred to me, I shall look into them and pensions granted would be given to then.

Shri Maneswar Boro : অসমত Political Suffer ৰ কিমান জনক pension দিয়া হৈছে আৰু কিমান টকা বছৰি লাগে এই কথা চৰকাৰে জানিবলৈ দিব পাৰেনে ?

Shri Abdul Matlib Mazumder : Sir, I have got the break up of the Subdivisional-wise figures. These are as follows .

| | | Persons coming up to date |
|---|---|---|
| 1. | North Lakhimpur | 225 |
| 2t | Dibrugarh | 28 |
| 3. | Sibsagar | 273 |
| 4. | Jorhat | 376 |
| 5. | Golaghat | 316 |
| 6. | Nowgong | 771 |

| | | Persons coming up to date |
|---|---|---|
| 7. | Tezpur | 390 |
| 8. | Mangaldai | 74 |
| 9. | Gauhati | 206 |
| 10. | Barpeta | 123 |
| 11. | Goalpara | 140 |
| 12. | Dhubri | 28 |
| 13. | Kokrajhar | 4 |
| 14. | Silchar | 168 |
| 15. | Karimganj | 228 |
| 16. | Hailakandi | 36 |
| 17. | Shillong | 19 |
| 18. | Garo Hills | 1 |
| 19. | Haflong | 1 |
| 20. | Nalbari | 2 |

Shri Maneswar Boro : বছৰ Amount কিমান লাগে ?

Shri Abdul Matlib Mazumdar : Minimum pension was Rs. 30·00 and it was raised to Rs. 50 later on and in certain cases pension has been raised by Rs. 75·00.

Shri Bhadra Kanta Gogoi : ডিব্ৰুগড় আৰু শিৱসাগৰ Sub-division ৰ Recomendation কেতিয়া দিয়া হৈছিল ?

Shri Abdul Matlib Mazumdar : Sir, that is upto the Sub-divisional Advisory Board to enquire; The requi-

sition must have been given by the government to the Subdivisional Advisory Board. I cannot say whether any report has came yet:

Shri Bhubanaswar Barman : মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে বৰপেটা মহকুমাৰ ৰাজনৈতিক নিৰ্য্যাতিত কেইজনমান কৰ্ম্মীয়ে বহুতো Reminder দিয়াৰ পাচতো Recomendation আনিব পৰা নাই। মানুহ কেইজন হৈছে শ্ৰীসিদ্ধি শৰ্ম্মা আৰু শ্ৰীকৃষ্ণকান্ত শৰ্ম্মা ইয়াৰ কিবা ব্যৱস্থা কৰিবনে ?

( No reply )

## Re : Jorhat Normal School

Shri Jogen Saikia asked :

*194. Will the Minister, Education be pleased to state—

(a) Whether the Government is aware that the conditions of the buildings of the Jorhat Normal School and of the practising schools under it and particularly the hostel building of the Normal School have badly deteriorated and these buildings need immediate improvement rather renovation ?

(b) Whether it is a fact that the Chief Minister was pleased to visit the Normal schoal and in reply to a public memorandum assured attention to the needs of the institution ?

(c) What steps the Government have taken or proposed to take in this regard ?

Shri Joy Bhadra Hagjer (Minister, Education) replied :

194. (a)—Yes:

(b)—A memorandum was placed before Chief Minister at the time of his visit to this School.

(c)—An estimate along with plan amounting to Rs. 6,84,500 has been prepared by P. W. D. for construction of two storied Hostel building which is under construction. Steps will be taken to sanction an amount during the current year for repairing the buildings of the practising schools

Shri Debeswar Sarma : অধ্যক্ষ মহোদয়, ইয়াত (c) ৰ উত্তৰত যিটো কৈছে সেইটো অনুগ্ৰহ কৰি অলপ খৰ খেদাকৈ কৰিবনে ? নহলে ঘৰ আৰুবেৰবোৰ ভাঙি পৰি গৈ ছাল-বাকলি নোহোৱা হৈ পৰি থকাটো বেয়া কথা নহবনে ?

Shri Joybhadra Hagjer : সেইটো নজৰ কৰি চাম।

(Starred Question Nos. 195, 196, 197 and 198 were not put and answered to as the Questioners were absent)

## Re: Use of Fertilisers by the Development Blocks of Gauhati Subdivision

Shri Sailen Medhi asked :

199. Will the Minister, Agiculture be pleased to state—

(a) The quantities of fertilisers used by the Development Blocks of Gauhati Subdivision during

the last 3 years (figures may be shown Block-wise)?

(b) What was the Government contribution against the quantity used?

(c) Whether there is any proposal for installation of electric irrigation project in any of aforesaid Block?

(d) How the activities of the Agriculture Department have been co-ordinated with that of the State Electricity Board in implementing Irrigation Programme in different parts of the State?

**Shri Lakshmi Prasad Goswami** (Minister, Agriculture) replied :

**199.** (a)—The figures for the period from 1966-67 to 1968-69 are as follows—

| Name of Blocks | Total fertilizers distributed in M/ tons | | |
|---|---|---|---|
| | 1966-67 | 1967-68 | 1968-69 |
| (1) Hajo | 84·244 | 105·638 | 45·546 |
| (2) Rangiya | 29·063 | 30·316 | 51·300 |
| (3) Karara | 44·900 | 51·400 | 53·526 |
| (4) Kamalpua | 11·030 | 15·221 | 21·857 |
| (5) Dimorir | 42·299 | 80·385 | 51·410 |
| (6) Rani | 64·580 | 70·560 | 83·508 |
| (7) Chhayagaon | 23·521 | 14·668 | 19·689 |

| Name of Blocks | Total | fertilizers distributed in M. tons | |
|---|---|---|---|
| (8) Boko | 35·122 | 53 091 | 23·930 |
| (9) Chamaria | 81·991 | 58·673 | 25·907 |
| (10) Rampur | 64·750 | 89·850 | 61 896 |

(b)—There was no Government contribution.

(c)—Yes, there is one electric irrigation project in the Dimoria Development Block. Survey for similar project is in progress in the Rampur and Rangiya Development Blocks. Survey of another project in Sonapur area of Dimoria Block has already been completed.

(d)—The activities of the Department in this regard are co-ordinated through the State Irrigation Committee at the State Level.

Shri Gaurisankar Bhattacharyya : Who are the members of the State Irrigation Committee ?

Shri Lakhsmi Prosad Goswami : The members of the State Irrigation Committee are as follows :

(1) Commissioner, Agriculture Production-Chairman.

(2) Secretary, Agriculture, Member.

(3) Secretary, Revenue, Member.

(4) Secretary, Panchayat, do

(5) Chief Engineer, PWD (FC&I) do

(6) Chief Electrical Engineer, ASEB Member
(7) Director, Agriculture do
(8) Director, Panchayat do
(9) Jt. Director, Agriculture (Engg.) do
(I0) Chief Electrical Adviser do

**Re : Irrigation facilities by the Agriculture Department in Assam**

Shrimati Pranita Talukdar asked :

*200. Will the Minister, Agriculture be pleased to state—

(a) Why the agriculture department has not been able to provide full irrigation and power pump facilities in Assam ?

(b) Will the Goverment take immediate steps for providing these ?

Shri Lakshmi Prasad Goswami (Minister, Agriculture) replied :

200. (a)—The Government has not been able to provide full irrigation and power pump facilities in Assam because of the shortage of funds.

(b)—The Gvoernment is taking all possible steps to provide irrigation and power pump facilities within the limited resources at its disposal.

Shrimati Pranita Talukdar : অধ্যক্ষ মহোদয়, Power Pump বিলাকত কিমান টকা খৰছ হয় জানিব পাৰোনে ?

Shri Lakshmi Prasad Goswami : ইয়াত five Horse Power আছে, Ten Horse Power আছে আৰু Twenty House Power আছে। ইয়াৰ দামো বেলেগ বেলেগ। কিন্তু মই easily দামটো কোৱা টান।

Shri Gauri Sankar Bhattacharyya : যোৱা বছৰ এই Power Pump ৰ যিটো ভাৰা লোৱা হৈছিল সেই ভাৰা ২গুন ৩গুণ কৰা হৈছে। তাৰ ফলত Power pump খেতিয়কে লোৱা টান হৈ পৰিছে।

Shri Lakshmi Prasad Goswami : ভাড়া বাঢ়িল এই কাৰণে বৰ্ত্তমানে তেলৰ দাম বাঢ়িল আৰু যিবিলাক চালক আছিল তেওঁলোকৰো মজুৰী বঢ়াই দিবলগীয়া হ'ল। অৱশ্যে এনে জলসিঞ্চনৰ পৰা যি পৰিমাণ উৎপন্ন হয় তাৰ তুলনাত এই বৃদ্ধি ভাড়া দিলেও খেতিয়কৰ লোকচান নহয়।

Shri Gauri Sankar Bhattacharyya : ভাড়াৰ পৰা লোকচান হোৱাৰ কথা কোৱা নাই ; আগৰ যি ঠাইত আছিল ২ টকা এতিয়াৰ পৰা হৈছে ৩ টকা, তাৰ ফলত খেতিয়ক সকলক এই বিলাক ব্যৱহাৰ কৰিবলৈ উৎসাহ দিয়া দুৰৰ কথা বৰং ইমান দিনে খেতিয়কে পাই অহা সুবিধাৰ পৰা বঞ্চিত কৰাহে হৈছে। তেলৰ দাম বাঢ়ি যোৱাত শতকৰা ২০ ভাগ হিচাবে আৰু তাৰ কাৰণে শতকৰা ২০০ ভাগ বঢ়াই দিয়াৰ যুক্তি নাই। এইটো যদি হব নোৱাৰে ভাড়া বঢ়াই দিলে তেওঁলোকৰ লোকচান হব

Shri Lakshmi Prasad Goswami : ভাড়া বঢ়ালে সেইটো হয় কিন্তু Power pump দাম বঢ়ালে খেতিয়কৰ কষ্ট হব।

Shii Gauri Sankar Bhattachayya : খেতিয়কৰ নিৰুৎসাহ কৰা হৈছে।

Shri Lakshmi Prosad Goswami : Power pump ৰ যিটো ভাড়া বঢ়াইছে এইটো consider কৰা হৈছে মাননীয় সদস্যই এইটো কথা ৰাজ্যপালৰ ভাষনতো উংথাপন কৰিছিল এইটো আকৌ পৰীক্ষা কৰা হৈছে সেইটো কমাব পাৰিনে নোৱাৰি।

Jonab Rahimuddin Ahmed : Power pump বিলাক ১০ বিঘা বা ১৫ বিঘা মাটিৰ কাৰণে দিছে সেইটো নহয়। এই Power pump বিলাক একোটা অঞ্চলৰ কাৰণেহে দিয়া হয়। কিন্তু যেতিয়া এই মেচিন বিলাকো out of order হৈ থাকে তেতিয়া কামত লগালেও ভাড়াটো আদায় কৰি লয়। গতিকে সময়মতে কৃষকসকলে খেতি কৰিব পৰা নাই; এইটো কথা মন্ত্ৰী মহোদয়ে চিন্তা কৰিবনে ?

Shri Lakshmi Prasad Goswami : Power pump বেয়া হৈ থাকিলে ব্যৱহাৰ কৰা নহয় গতিকেই সেইবোৰ ভাড়ালৈও দিয়া নহয়।

Shri Atul Chandra Goswami : কিছুমান কৃষকে Power pump Subsidy rate ত চৰকাৰৰ পৰা কিনিছে আৰু সেই power pump বোৰ জলসিঞ্চনৰ কামত ব্যৱহাৰ নকৰি Houler ৰ কামত লগাইছে আৰু ধুমধাম ধান উলিয়াইছে। এই বিষয়ে চৰকাৰে গম পাইছেনে ?

Shri Lakshmi Prasad Goswami : তেনেকুৱা অভিযোগ আমাৰ ওচৰলৈ অহা নাই। এজন মানুহে power pump কিনি লৈ জলসিঞ্চনৰ কামত ব্যৱহাৰ কৰিছেনে অন্যান্য কামত ব্যৱহাৰ কৰিছে বা কেনেকুৱা কামত ব্যৱহাৰ কৰিছে সেই বিষয়ে আমি নাজানো।

Shri Atul Chandra Goswami : গাওঁ সভাবিলাকে যিবিলাক

power pump দিছে আৰু সেইবোৰ Houler ৰ কামত ব্যৱহাৰ কৰিছে তেনেকুৱা অভিযোগ যদি আছে ব্যৱস্থা কৰিবনে ?

Shri Lakshmi Prasad Goswami : যদি সেইদৰে power pump বোৰ জলসিঞ্চনৰ কামত লাগে বুলি নি আন কামত ব্যৱহাৰ কৰে সেইটো অন্যায় হৈছে ; তেনেকুৱা অভিযোগ আহিলে চোৱা হব ।

Shri Kamini Mohan Sarma : মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে এই power pump বিলাক অচল অৱস্থাত পৰি আছে আৰু এই বিলাক কোন Company ৰ পৰা কিনা হৈছে ?

Shri Lakshmi Prasad Goswami : এই power pump বিলাক কোন company ৰ পৰা কিনা হৈছে সেইটো খবৰ বৰ্ত্তমান মোৰ হাতত নাই । পঞ্চায়ত বিলাকত প্ৰায় ২০০০ টা power pump অচল অৱস্থাত পৰি আছে এতিয়া সেই power pump বিলাক মেৰামতি কৰা ব্যৱস্থা চলি আছে ।

Shrimati Pranita Talukder : মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে Borpeta মহকুমাৰ গোৱৰ্দ্ধনা মৌজাত বেচি ভাগ খেতি পথাৰত পানী নাই অথবা পানী যোগান ধৰাৰ ব্যৱস্থা নাই ?

Shri Lakshmi Prasad Goswami : বৰ্ত্তমান এইটো কথা মই জানো বুলি কোৱাটো টান ।

Shrimati Lily Sen Gupta : Water power ৰ কাৰণে Tube well ৰ লগতে Motor বহুৱাই পানীৰ ব্যৱস্থা কৰিছে । আমাৰ Dibugarh Joypur ত cell filter আদিৰ দ্বাৰা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ? এই cell-filter ৰ দ্বাৰা প্ৰতি ঘণ্টাত ২০০ gallon পানী যোগান ধৰিব পাৰি । এই cell-filter ৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

Shri Lakshmi Prasad Goswami : Cell-filter ৰ বহুৰাবৰ কাৰণে আগতে আমাৰ এখন Rig আছিল এতিয়া আমি ৩ খন Rig আনিছো Cell-filter point বহুৱাই ১০০ ফুট দূৰৰ পৰা পানী আনিব পাৰি আৰু এইটো বহুৱাবৰ কাৰণে প্ৰায় ১২০০ মান টকাৰ আৱশ্যক হয়। গতিকে য'ত ১০০ ফুট দ'ত পানী পোৱা যায় তেনে ঠাইত cell-filter-point বহুৱাই পানী যোগান ধৰ'ব বিষয়ত মই মাননীয় সদস্যৰ লগত একমত। Cell-filter point বহুৱাবৰ কাৰণে যি সকলে বিচাৰে তেওঁলোকে—চৰকাৰে যিটো Subsidy দিয়ে তাৰ সুবিধা লব লাগিব নহলে চৰকাৰে ইমান টকা খৰচ কৰি এইটো দিয়াটো সম্ভৱ নহয়। আমাৰ চৰকাৰৰ ফালৰপৰা Rig বহুৱাৰৰ কাৰণে খান্দি দিয়া কামটো কৰি দিও কাৰণ এইটো খৰটকীয়া কৈ ঝাইজে কৰাটো সম্ভৱ নহয়। আমি সকলো সুবিধাই দিব খুজিছো কিন্তু এইটো খেতিয়ক সকলে আগবাঢ়ি অহাৰ ওপৰত নিৰ্ভৰ কৰে।

Shri Promode Chandra Gogoi : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মাননীয় শৰ্ম্মা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে কোন কোন Company ৰ পৰা কিমান power pump কিনিছে এই হিচাব তেওঁৰ হাতত নাই কিন্তু তেখেতে এইটো কথা জনাবনে যে power pump বিলাক কোন কোন Company ৰ পৰা আনিছে আৰু সেই Company ক কিমান দাম দিয়া হৈছে ।

Shri Lakshmi Prasad Goswami : এইটো মই সদনত জনাব পাৰিম। আমাৰ Agro-Industry Development Corporation হোৱাৰে পৰা তেওঁলোকে কিনে আৰু Agricultural pur-charing Board ৰ হাতত এই হিচাব আছে ; এইটো মই সদনত জনাম ।

Shri Bhubaneswar Barman : মাননীয় অধ্যক্ষ মহোদয়, মাননীয়

মন্ত্ৰী মহোদয়ে জনাবনে– বিজুলী শক্তিৰ জৰীয়তে পানী যোগান ধৰা আৰু জলসিঞ্চনৰ আঁচনি লৈছে আৰু যদি লৈছে ক’ত ক’ত লোৱা হৈছে ?

Shri Lakshmi Prasad Goswami : বিজুলী শক্তি চালিত Power pump আমাৰ বেচি নাই।

Shri Bhubaneswar Borman : বিজুলি শক্তিৰ দ্বাৰা চালিত পানীৰ যোগান আঁচনি চৰকাৰে লোৱা নাই নেকি ? যদি লৈছে এই power pump কত কত আছে।

Shri Lakshimi Prasad Goswami : বিজুলি শক্তিৰ দ্বাৰা চালিত পাম্প নঁগাৱৰ মায়াঙত আছে তাত ৪৭ টা পাম্পে ১'৩৩৩ একৰ মাটিত পানী যোগাইছে।

Shri Atul Chandra Goswami : তাৰে যে ১৫ টা বন্ধ হৈ আছে এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Lakshmi Prasad Goswami : মাননীয় সদস্যক আন এটা খবৰ দিব খুজিছো। বিজুলি শক্তিৰ দ্বাৰা চালিত পাম্পৰ Electric ৰ খৰচ খেতিয়ক সকলে দিব লাগে। কিন্তু আজি ২ বছৰে বহু খেতিয়ক সকলে কোনো পইচা পাতি দিব নোৱাৰাত বন্ধ হৈ আছে।

তাৰ পাচত চৰাইহাগী, ৰহা, জাগী গাওঁ, চলচলী বেঙেনাআটি, কলিয়াবৰ এই বিলাক নগাৱৰ।

শিৱসাগৰত আছে দিমৌ, ডিব্ৰিয়েল, মেচাগৰ, হাটীকোশ নাজিৰা, বেঙেনাবাৰী, চেঙেলীমাৰি (সোণাৰী) অভয়াপুৰি উদয়শ্ৰী ডিব্ৰুগৰত, জয়পুৰ, বাহবাৰী

দৰঙত চতিয়া, চিংৰিং, ৰৌ'টা, আৰু জাৰগাওঁ

কৰিমগঞ্জত—জবাইপুৰ, জুদাতিলা কলিগ্যঞ্জ।

কামৰূপ—বাৰিমাচা, বাহান ঘাট,

Shri Gaurisankar Bhateachayya : এইটো বালি:লচা, বৰিলেচা নহয়।

Shri Bhadreswar Gogoi : ডিব্ৰুগৰৰ ঠাই কেইথন কেতিয়া লোৱা হৈছিল।

Shri Lakshmi Prasad Goswami : এইটো ৪ৰ্থ পৰিকল্পনাত লোৱা হৈছে।

(Noise)

Mr. Speaker Order, Order, বহুতো মাননীয় সদস্যই কথা কয়,

Shri Azad Ali : গোৱাল পাৰাৰ কোন কোন ঠাইত এই আঁচনি লোৱা হৈছে।

Shri Lakshmi Prasad Goswami : এইখন লিষ্টত গোৱাল পাৰা নাই আচলতে গোৱালপাৰাৰ পৰা যি বিলাক দখাস্ত পাইছো সেইবিলাক Flow Irrigation ৰ কাৰণে। তাৰ কাৰণে Survey চলাই থকা হৈছে।

Re : Dispensary at Bholagaon Mauza

Shri Abala Kanta Goswami asked :

201. Will the Mfnister of Health be pleased to state—

(a) Whether Government is aware that there is no dispensary in Bholagaon Mauza in Palasbari Constituency (Kamrup)?

(b) Whether Government propose to establish a dispensary in this Mauza to extend medical facilities especially to tribal people who predominantly inhabit this mouza ?

Shri Chatrasing Teron (Minister, Health) replied :

201. (a)– Yes.

(b)—There is a proposal to establish a State Dispensary at Rajapara.

Shri Abala Kanta Goswami : ৰাজা পাৰাৰ ভীলগাওঁ মৌজাত এখনো Dispensary কৰা হোৱা নাই কিয় ? এইখন ৰজাপাৰা মৌজাত নপৰে।

Shri Chatrasing Teron : ৰজা পাৰাত যিখন State Dispensary খোলাৰ কথা কৈছো সেইটো কোন মৌজাত পৰে মই কব নোৱাৰো।

Shri Gaurisankar Bhattachayya : প্ৰশ্নটো আছিল পলাশবাৰী সমষ্টিত ভোলাগাওঁ মৌজাত কোনো Dispensary আছেনে নাই এই কথা চৰকাৰে জানেনে ? তাৰ উত্তৰত কব লাগে 'হয়' আছে বা নহয় নাই।

Shri Chatra Sing Teron : এই প্ৰশ্নৰ উত্তৰ (a) দিয়া হৈছে আৰু (b) কোৱা হৈছে ৰজাপাৰাত এখন Dispensary খোলাৰ পৰিকল্পনা আছে ।

Shri Maneswar Boro : পলাশবাৰীৰ ভোলাগাওঁ মৌজাত Dispensary নোহোৱাৰ কাৰণ কি ? কাৰণ এইটোৱেই নেকি যে এই অঞ্চলটো জনজাতীয় লোকেৰে পৰিপূৰ্ণ

Shri Chatra Sing Teron : বজা পাৰাত যিটো Dispensary আছে সেই ঠায়ো জনজাতীয় লোকেৰে ভৰা।

Shri Abala Kanta Goswami : বাণী আঞ্চলিক পঞ্চায়তৰপৰা ভোলাগাৰত Dispensary হব লাগে বুলি কোনো Representation পাইছে নেকি ?

Shri Chatrasing Teron : এইটো মোৰ মনত নাই। খবৰ কৰি চাম।

Shri Maneswar Boro : এই মৌজাত এখনো Dispensary নোহোৱাটো অন্যায় হোৱা নাইনে ? ইয়াৰ উত্তৰ লাগে।

(No reply)

[Starred question Nos 202 and 203 were not put and answered as the Questioners were absent ]

Re : Approach Road of the Dibru-Sonari-Burisuti Ferry

Shri Romesh Mohon Kouli asked :

*204. Will the Minister, Transport be pleased to state—

(a) Whether the Goverment is aware of the fact that the approach road of the Dibru-Sonari-Burisuti ferry on the North Bank side has not been maintained properly by the Depar-tment inspite of repeated demand by the public for proper maintenance of the said approach road ?

(b) Whether it is a fact that the said ferry service is the only link between the North Bank and the South Bank within Lakhimpur district ?

(c) If so, whether the Goverment propose to take up immediate steps for the proper maintenance of the said approach road ?

Shri Prabin Kumar Choudhury (Minister, of State for Transport) replied :

204. (a)—No. It is not a fact.

(b)—Yes.

(c)—Assam Inland Water Transport Directorate maintains the approach road as an integral part of the ferry.

Shri Romesh Mohan Kouli : May I know what is the amount sanctioned for the maintenance of the road during the last year and this year ?

Shri Prabin Kumar Choudhury : Sir, in the last year I mean in the year 1968-69 Rs. 14,917.50p and in 1969-70 Rs. 17,117.75 p

Shri Romesh Mohan Kouli : May I know what is the length of the road ?

Shri Prabin Kumar Choudhury : Nearly one k. m.

Shri Romesh Mohan Kouli : What is the nature of the maintenance and what is the nature of the road ?

I want to know it from the hon. Minister. I also want to know what is the nature of the work done itemwise ?

Shri Probin Kumar Choudhury : The length of approved road maintained by Transport Deptt. is I-k.m. appears from the end of P. W.D. road to the ghat 1968-69 Rs. 14, 917-50p 1969-70 17,117.75 p: spent for purchase of brushwood and bamboo supply, cement bags, bamboo chatai, wire string and labour spreading brush wood and earth.

Shri Romesh Mohan Kouli : Sometimes the length of the road is about half a k. m. or less then that and again during the winter season the length becomes one k. m. I want to know from the hon. Minister deals about the expenditure during the current session.

Shri Prabin Kumar Choudhury (Minister) : I will look into it.

Shri Bhubaneswar Barman : অধ্যক্ষ মহোদয়, ডিবুগড়ৰ সোনাৰীঘাটত ১ এপ্রিলৰ দিনা মাননীয় মন্ত্রী মহোদয়ে Ferry উদ্বোধন কৰি অহাৰ পাছতে Ferry নচলা হল আৰু সোণাৰী ঘাটত ইপাৰৰ পৰা সিপাৰলৈ পাৰ হওঁতে ৮ ঘণ্টা সময় লাগে, এই কথাটো সচাঁ নে ?

Shri Probin Kumar Choudhury (Minister) ছাৰ, পানী কম হোৱাৰ কাৰণে Propeller shaft টো মাটিত লাগিছিল। এতিয়া সেইটো সলনি কৰিবলৈ কোৱা হৈছে।

## Re: Share holder of Road Transport Corporation of Assam

Shri Sailen Medhi asked :

*205 Will the Minister, Transport be pleased to state—

(a) Who will be the major share holder in the proposed road Transport Corporation of Assam ?

(b) Whether the Managing Authority will be shared between the Government of Assam and the Central Government ?

(c) What precautionary measures Government propose to take to safeguard the employment of local youths in the proposed Corporation ?

Shri Prabin Kumar Choudhury (Minister of State for Transport) replied :

205. (a)—The Government of Assam.

(b)—The Management Board of the Corporation will consist of eleven members. Of these eleven members, two will be nominated by the Central Government or the Railway Board, the rest being nominated by the State Government.

(c)—The overwhelming majority of the personnel of the Management Board, of the Corporation being the nominees of the State Government, the

Corporation is not likely to discriminate against the employment of local people in the service of the Corporation. Moreover, the State Government have sufficient legal authority to give to the Corporation instructions to be followed by the Corporation relating to the recruitment, condition of servicc of its employees, etc, etc., vide Section 34 of the Road Transport Corporations Act, 1950 and under Section 45 of the said Act any regulrtion framed by the Corporation providing, inter alia for recruitment of persons for employment in the service of the Corporation must have the previous sanction of the State Government.

Shri Promode Chandra Gogoi : May I know the names of the persons who have been nominated by the Government to the Board of Management ?

Shri Probin Kumar Choudhury :

(1) Minister of State, Transport — Chairman

(2) Secretary, Transport, — Member

(3) Jt. Secy., Finance. — Member.

(4) Shri S. Bordoloi, Representative of State Transport Workers' Association. — Non-official member.

(5) Shri R. Z. Ahmed, IAS (Retd.) do

(6) 2(two) Representatives frcm the Railways.

Shri Promode Chandra Gogoi : On what basis and consideration, these non-official members have been nominated ?

Shri Prabin Kumar Choudhury : It is the prerogative of the government to nominate the non-official members but on non-official member-ship has been reserved for the State Transport workers' Association, and Shri Bordoloi has been nominated to the Board from that Association.

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

**Re : Number of Naxalites in the State**

ডঃ ভুপেন হাজৰীকাই সুধিছে :

৭০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত নক্সালপন্থী লোক কিমান আছে আৰু তাৰ উৰাদিহ চৰকাৰে পাইছে নে ?

(খ) মাওচেতুঙৰ প্ৰশংসা থকা প্ৰচাৰ পত্ৰ অসমৰ ঠায়ে ঠায়ে দেখা-পোৱা কথাটোৰ বিষয়ে ওলোৱা বাতৰি চৰকাৰে কেনে ধৰণে গ্ৰহণ কৰিছে ?

(গ) নক্সাল পন্থী লোকৰ আড্ডা অসমৰ ক'ত ক'ত আছে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছে :

৭০। (ক) - অনুমানিক ৩০০ মানৰ খবৰ পাইছে।

(খ)—চৰকাৰে কঠোৰ দৃষ্টিৰে চাইছে।

(গ)—এতিয়ালৈকে খবৰ পোৱামতে উত্তৰ গোৱালপাৰা, উত্তৰ কামৰূপ, কাছাৰ মিজু সীমা অঞ্চল আৰু শিৱসাগৰ-নগাপাহাৰ সীমা অঞ্চলত নক্সালপন্থী লোকে আড্ডা পাতিছে। তাৰোপৰি লামডিং ৰাঙ্গাপাৰা, মালিগাওঁ আদি ঠাইটো তেওঁলোকৰ আড্ডা আছে।

Dr. Bhupen Hazarika : মাননীয় মুখ্যমন্ত্ৰীয়ে ৭০ নং প্ৰশ্নৰ উত্তত কৈছে যে নক্সলপন্থী সকলৰ সংখ্যা অনুমানিক ৩০০ মানৰ খবৰ পাইছে আৰু তেওঁলোকক কঠোৰ দৃষ্টিৰে চাইছে বুলিও কৈছে। এতিয়া লৈকে খবৰ পোৱামতে উত্তৰ গোৱালপাৰা, উত্তৰ কামৰূপ, কাছাৰ মিজো সীমা অঞ্চল আৰু শিৱসাগৰ নগা পাহাৰ সীমা অঞ্চলত নক্সালপন্থী লোকে আড্ডা পাতিছে। তাৰোপৰি লামডিং ৰাঙাপাৰা মালিগাও আদি ঠাইতো তেওঁলোকৰ আডা আছে।

আকৌ কালি কাগজত পাইছো Central Govt এ State Govt. বিলাকলৈ Circular দিছে যে exiting law ৰ কিছুমান clause ৰ মাজেৰে হিংসামূলক কাৰ্য্য কৰা সকলক শাস্তি দিবলৈ যথেষ্ঠ এনেকুৱা কিবা circular পাইছে নেকি?

Shri Bimala Prasad Chaliha : এতিয়ালৈ খবৰ পোৱা নাই।

Dr. Bhupen Hazarika ; নক্সালপন্থী সকলক আৰু এই তিনিশ মানুহক ধৰা হৈছে নেকি? বা শাস্তি দিয়া হৈছে নেকি?

Shri Bimala Prasad Chaliha : যোৱা পৰহিলৈ কামৰূপ আৰু নামৰূপত ৯২ জনক ধৰা বুলি খবৰ পাইছো।

Dr. Bhupen Hazarika : তেন্তে আদালতত বিচাৰ হব। নক্সালপন্থীৰ সংজ্ঞাটো কি? What is Naxalite? Who is a Naxalite?

Shri Bimala Prasad Chaliha : য'ত য'ত নক্সালপন্থীৰ কাম আৰম্ভ কৰিছে আৰু 'মাও' ৰ Slogan প্ৰচাৰ কৰিছে সেইবিলাকক নক্সালপন্থী বুলি ধৰা হৈছে।

Shri Gauri Sankar Bhattacharyya : যিবিলাক ঠাইত আধিয়াৰৰ পৰা জমিদাৰ বিলাকে ৳ ভাগ ধান জোৰ জবৰদস্তি কৰি আদায় কৰিছিল সেইবিলাক এতিয়া আধিয়াৰে বন্ধ কৰিছে। নক্সালপন্থী এনেকৈ হৈছিলনে যে, বহুতো জমিদাৰে মাটি বেনামী কৰি ৰাখি থৈছিল। যিবিলাক মানুহৰ মাটি নাই সেইবিলাকে মাটিবিলাক দখল কৰিছে, খেতি কৰিছে। অৱশ্যে আনহাতে কিছুমান নক্সালবাৰীও মানুহে সন্ত্ৰাসৰ সৃষ্টিও কৰিছে। মানুহক মাৰ ধৰ কৰিছে, হত্যাকৰিছে লুণ্ঠন কৰিছে কিছুমান জমিদাৰেও নক্সাল বাৰীৰ মানুহক হত্যা কৰিছে বা কৰাইছে, অনেকৰ মুৰ কাটি পেলাই দিছে। তাৰ ভিতৰতকোন বিলাক কাম নক্সাল পন্থী।

Shri Bimala Prasad Chaliha : যিবিলাক হিংসামূলক কাম সেই বিলাকহে কেৱল ধৰিছো।

Shri Promode Chandra Gogoi : মুখ্যমন্ত্ৰীয়ে কৈছে যে, অনুমানিক তিনিশ মান নক্সালপন্থী আছে। কিকি ভিত্তিত এই লোকসকল হিচাব কৰা হৈছে আৰু বিশেষকৈ অসমৰ কোনবিলাক কাম চৰকাৰে নক্সালপন্থীৰ কাম বুলি বিবেচনা কৰে, চৰকাৰে জনাবনে ?

Shri Bimala Prasad Chaliha : মাননীয় সদস্য সকলে জানে যে নক্সালবাৰীত যিবিলাক হিংসামূলক কাম হৈছে আৰু সেই কাম বিলাৰ ভাৰতৰ বিভিন্ন প্ৰদেশত তাৰ প্ৰচাৰ চলিছে, সেই বিলাকক নক্সালপন্থী বুলি ধৰা হৈছে। এই তিনিশ মানুহৰ সম্পৰ্কত যিবিলাক মানুহ তেনে সংগঠনৰ ভিতৰলৈ আহিছে বুলি পুলিচ ৰিপৰ্টমতে জনা গৈছে তেনেবিলাকক ধৰা হৈছে।

Shri Promode Chandra Gogoi ; এইটো কথা চৰকাৰৰ পৰা জানিব

বিচাৰো—ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত মাটিহীন কৃষকসকলে মাটি বেদখল কৰিছিল আৰু আমি পোৱা সংবাদ মতে পুলিচ বিষয়াই সেই বিলাক মানুহক ভয় খুৱাইছে —"তোমালোক নক্সাল পন্থী" অসম চৰকাৰে এইটো কথা বিবেচনা কৰে নেকি? যে যিসকল মাটিহীন লোকে মাটি দখল কৰিছে বা আন্দোলন চলাইছে তেওঁলোকক চৰকাৰে নক্সালপন্থী বুলি বিবেচনা কৰিছে নেকি? যদি কৰা নাই তেতিয়াহলে যিবিলাক মানুহক পুলিচ কৰ্ম্মচাৰী বিলাকে ভয় খুৱাইছে সেই বিষয়ে চৰকাৰে কিবা নিৰ্দ্দেশ দিবনে?

Shri Bimala Prasad Chaliha : তেনে কোনো মাটি বেদখল কৰা উৎসাহী C. P. I ক নক্সালপন্থী বুলি কোৱা নাই। সেইকাৰণে কোনো ঠাইত যদি অফিচাৰে কোৱা বুলি সংবাদ পোৱা হয় তেন্তে সতৰ্ক কৰি দিয়া হব।

Shri Gauri Sankar Bhattacharyya : C. P. M. বিলাকে গৈ দখল কৰিলে নক্সাল পন্থী হব নেকি?

Shri Bimala Prasad Chaliha : সেইটো কাৰ্য্যকলাপ চাই সিদ্ধান্ত কৰা হব। বহুতো সময়ত Report ওলাইছে নক্সালপন্থীৰ নামত এইবিলাক কাম C. P. M এ কৰিছে। কিন্তু বাস্তৱত কি পৰিস্থিতি সেইটো চাব লাগিব। আন্দোলনৰ সম্পৰ্কত যদি হিংসামূলক কাম হয় তেন্তে সেইটোৰ বিৰুদ্ধে চৰকাৰ ঠিয় হব লাগিব।

Shri Gauri Sankar Bhattacharyya : এইটো পাটিৰ ওপৰত ভিত্তি কৰি হব নেকি যে যদি কংগ্ৰেছে কৰে নক্সালপন্থী কাম নহব আৰু Socialist বা C. P. M. আদিয়ে কৰিলে নক্সালপন্থী হব নেকি?

Shri Bimala Prasad Chaliha : প্ৰধান কথা হৈছে হিংসামূলক কাম যিয়েই নকৰক কংগ্ৰেছেই হওক বা আনেই হওক আইনৰ আগত জগৰীয়া হব।

**Mr. Shamsul Huda :** মাওৰ slogan প্ৰচাৰ কৰা সকলক চৰকাৰে অপৰাধী বুলি ভাবে নেকি ?

**Shri Bimala Prasad Chaliha :** এতিয়া নক্সালপন্থীৰ কাৰ্য্য পদ্ধতিৰ সম্পৰ্কত সেইখিনি উল্লেখ কৰিছো। যদি মাওৰ slogan দিয়ে সেইবিলাক মাও পন্থীৰ ।

**Shri Gauri Sanker Bhattacharyya :** মাওৰ slogan "সাম্ৰাজ্য বাদ ধ্বংস হওক" এইটোও বেয়া নেকি ?

**Shri Bimala Prasad Chaliha :** সেইটো বেয়া বুলি কোৱা নাই। যদি হিংসামুলক কাম কৰি দেশত অশান্তিৰ সৃষ্টি কৰে সেই slogan বেয়া।

**Dr. Bhupen Hazarika :** নক্সালপন্থীৰ সৰ্ম্পকত যি হিংসামূলক কাম কৰিছে তাৰ উৎস ৰাজহমন্ত্ৰীৰ ২২ বছৰত মাটি বটনৰ দুনীতিৰ কাৰণে হৈছে বুলি ভাবেনে ?

**Shri Bimala Prasad Chaliha :** ৰাজহমন্ত্ৰীৰ গালৈ ঠেলিলেই বা চৰ-কাৰৰ গালৈ ঠেলিলেই নহব। পৰিস্থিতিৰ দোষত এইবিলাক ঘটনা হবলৈ পাইছে ।

**Shri Debeswar Sarmah :** এতিয়া দেশত যি পৰিস্থিতিৰ হৈছে আৰু আজি আমাৰ মুখ্যমন্ত্ৰীৰ পৰা যি শুনিলো মই বিনীত নিবেদন কৰো যে মুখ্যমন্ত্ৰীৰ কাচুতীৰ ঘুচনি টানকৈ মাৰিবৰ হ'ল। মাওক নহলে বন্ধ কৰিব নোৱাৰে।

**Shri Bhadra Kanta Gogoi :** কাগজে কলমে ওলাইছে ডিব্ৰুগড়, নাহৰকতীয়া নামৰূপ আদি ঠাইত নক্সালপন্থীয় মিটিং কৰি ফুৰিছে। এই কথা মূখ্য মন্ত্ৰীয়ে জানে নে ?

**Shri Bimala Prasad Chliha :** তেওঁলোকৰ কাম কিছুমান ঠাইত Develop হৈছে।

## Re; Suspension of officers of the State Leprosy Office

Shri Sailen Medhi asked:

71. Will the Minister, Health be pleased to state—

(a) How many 3rd and 4th grade officers of the state Leprosy Cffice have been suspended during the last 3 year"

(b) The number against whom departmental proceedings were started?

(c) How many of them were dis-charged?

Shri Chatrasing Teron ( Minlster. Health, etc,) replied:

71. (a)—Two (one 3rd Grade and one 4th Grade),

(b)—Proceedings were drawn against both.

(c) - One discharged (4th Grade) and one reinstated with punishment (3rd Grade).

## Re: Advance to Small Industries Development Corporation

Shri Sailen Medhi asked:

72. Will the Minister, Health be pleased to state:

(a) Whether any amount has been given to Small Industries development Corporation for constructing pre-fabricared house for Family Planning centres?

(b) If so, what is the amount?

Shri Chatrasing Teron (Minister, Health) replied:

72. (a)—No

(b) - Does not arise.

## Re: Grant for Chowkidar in Government Senior Basic Schools

শ্ৰীশৰৎ চন্দ্ৰ ৰাভাই সুধিছে :

৭৩.। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গৱৰ্ণমেণ্ট চিনিয়ৰ বেছিক স্কুলবোৰত চৌকিদাৰৰ বাবদ গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা আছে নে ?

(খ) যদি আছে তেনেহলে গোৱালপাৰা মহকুমাৰ খাৰা চিনিয়ৰ বেছিক স্কুলত আজি তিনি বছৰ ধৰি আবেদন কৰিও চৌকিদাৰ নেপাৱা কথাটো সচানে ?

(গ) যদি সচা হয় তেনেহলে এই বছৰ এপ্ৰিল মাহৰ ভিতৰত চৌকিদাৰ নিয়োগ কৰা হবনে ?

ৰাজ্যিক শিক্ষা মন্ত্ৰী শ্ৰীচৈয়দ আহমদ আলিয়ে উত্তৰ দিছে

৭৩. (ক)—আছে

(খ)—খাৰা উচ্চ বুনিয়াদী বিদ্যালয়ৰ কাৰণে তেনে কোনো প্ৰস্তাৱ গোৱালপাৰা মহকুমাৰ শিক্ষা বিভাগৰ উপ-পৰিদৰ্শকৰ পৰা এতিয়ালৈকে পোৱা নাই।

(গ)—আন আন উচ্চ বুনিয়াদী বিদ্যালয়ৰ লগতে খাৰা উচ্চ বুনিয়াদী বিদ্যালয়ৰ চৌকিদাৰ নিয়োগৰ প্ৰস্তাববোৰ সম্পৰ্কে গোৱালপাৰা মহকুমাৰ শিক্ষা বিভাগৰ উপ-পৰিদৰ্শকৰ মতামত বিচৰা হৈছে আৰু বিহীত ব্যৱস্থা লোৱা হব।

## Re : Non receipt of Grants by the Elementary Schools

M. Shamsul Huda : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰীয়তে এটা দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

Mr. Speaker : আপোনাৰ সময় ২ মিনিট।

M. Shamsul Huda : আমি সকলোৱে দেখিছো যে বিত্তীয়,১৯৬৯-৭০ চন পাৰ হৈ গ'ল। অথচ এতিয়ালৈকে সেই চনৰ বাবে পাবলগীয়া দিব লগীয়া Non recurring grant বিশেষকৈ প্ৰাইমেৰী আৰু হাইস্কুলৰ ক্ষেত্ৰত এতিয়ালৈকে বিতৰণ হোৱা নাই। এইটো এটা আচৰিত আৰু ভয়ঙ্কৰ কথা হৈছে। এই গ্ৰান্ট বিতৰণ নকৰাৰ মূলতে কাৰণ আছে। ইয়াৰ কাৰণ হ'ল এতিয়ালৈকে Elementary Education Board টো অচল হৈ আছে। Elementary Education Board ৰ Secretary জন হব লাগে, Joint D. P. I. কিন্তু এই Joint D.P.I জন নোহোৱাৰ কাৰণে বহুতো বেমেজালি হৈছে। Joint D.P.I জনক Appointmentদিবৰ কাৰণে A.P.S.C. এ নাম Recomendation ও কৰিছে। অথচ এই চৰকাৰে Recomendation গ্ৰহণ নকৰাৰ ফলতে আজি এই গ্ৰান্ট বিলাক বিতৰণ হোৱা নাই আৰু এই গোটেই Elementary Education Board টো অচল হৈ পৰিছে। সেই কাৰণে মই আপোনাৰ জৰীয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

Shri Bhubaneswar Barman : চাৰ, এই Joint D.P.I. নথকাৰ কাৰণে বৰ অসুবিধা হৈছে। ইয়াৰ লগতে মই অলপ সংযোগহে কৰিব খুজিছো। এই Joint D.P.I. জন নথকাত Adhoc Grant, Non-recurring Grant আদি পোৱাত স্কুল বিলাকৰ যঠেষ্ট অসুবিধা হৈছে।

Shri Syed Ahmed Ali : (Minister of State Education) Non-recurring Grant দিয়াত পলম হৈছে। এইটোৰ কাৰণ বেলেগ। ইয়াৰ লগত Joint D.P.I. যুক্তি-নিযুক্তিৰ কোনো সম্পৰ্ক নাই। আমি ১৯৬৯-৭০ চনৰ প্ৰথমতে এই Non-recurr-

ing grant অফিচাৰ সকলৰ, D.I. মহোদয় সকলৰ Report ৰ জৰীয়তে দিয়াৰ কথা আছিল। কিন্তু সেই Report বিলাক ঠিক মতে বিবেচিত নোহোৱাৰ কাৰণে বহুতে আপত্তি জনালে। কাৰণ কিছুমান ঠাইত কিছুমান Deserving case ও D.I. Report ৰ পৰা বাদ পৰিছে। সেই কাৰণে পাচত ঠিক কৰিলো যে, যোৱা বছৰ সকলো মাননীয় সদস্যৰ লগত পৰামৰ্শ কৰি এটা List লৈ বিতৰণ কৰা হৈছিল। ঠিক সেইদৰেই এই বাৰ নকৰি সকলো Member ৰ পৰা Suggestion বিচাৰিছিলো সেই হিচাবে প্ৰায় আমাৰ প্ৰত্যেক M.L.A. ৰ অংশত ১৫ হাজাৰ টকা পৰে। আৰু যিবিলাক Suggetion আপোনালোকে দিব সেইমতেই এই কাম হব। এই বিলাক টকা plan ৰ পৰা public এ ইয়াক এনেয় খৰচ কৰিব নোৱাৰে। আপোনালোকৰ পৰা Suggestion নোপোৱাৰ কাৰণেই এই টকা বিতৰনত পলম হৈছে।

Shri Atul Chandra Goswami : এই বছৰ তেখেতৰ চৰকাৰৰ অফিচাৰ সকলৰ জৰীয়তে ১৯৬৯-৭০ চনৰ বাবদ প্ৰত্যেক জিলাৰ Head Quarter তে M.L.A. সকল বহি L.P. School M.E. School, High School ক এই সকলোৰে বিষয়ে আলোচনা কৰিছিলো। সেই মতে ভাগ কৰি দিয়া হ'ল। কিন্তু Approved list ত থকা বহুতো স্কুলে আজিলৈকে সেই টকা পোৱা নাই। মই কালি শিক্ষা মন্ত্ৰীক আমাৰ জখলাবন্ধা স্কুলত ২ হাজাৰ টকা দিয়া হৈছিল বুলি কৈছিলো কিন্তু এইটো আজিলৈকে নাপালে। D.P.I. ৰ চিঠি লিখা লিখি কৰি হাহাকাৰ কৰি আছে। ইয়াৰ খেলিমেলি হোৱাৰ কাৰণ কি ?

Shrt Syed Ahmed Ali : মাননীয় সদস্য সকলে যোৱা বছৰ ১৯৬৮-৬৯ চনত যি বিলাক List recomendation কৰি দিছিল সেই মতেই টকা পঠাইছে। Inspector এ হাইস্কুল আৰু M.E. School ক ৫০০ টকাৰ ওপৰত দিব নোৱাৰে। কাৰণ School এ তাৰ utilisation certificate দিব লাগিব আৰু Plan estimate দিব লাগিব। কিছুমান authority a plan-estimate নিদিয়াৰ কাৰণে এই

টকা বিলাক দিব পৰা নাই। মই কোনো particular case ৰ কথা কোৱা নাই। মই সাধাৰণ কথাৰ কথাহে কৈছো। যি বিলাকে plan-estimate দিয়া নাই বা utilisation scheme দিয়া নাই তেওঁলোকে 2nd instalment ৰ কাৰণে Approach কৰিব পৰা নাই। কিন্তু মাননীয় সদস্যৰ particular case টো কি ইয়াৰ কাৰণ অনুসন্ধান কৰি চাম।

Mr. Speaker : Order, order there shall not be any debate in the Zero Hour, Hon. Member Shri Huda put a question regarding delay in disbursement of grant for 1969-70 and the Minister in charge has given his explanation.

M. Shamsul Huda : Joint D.P.I. appointment কিয় দেৰি হৈছে এইটো জানিবলৈ বিচাৰিছো ?

Jonab Rahimuddin Ahmed : Joint D.P.I. oppointment সমন্ধে একো নকলে।

Shri Joy Bhadra Hagjer : Appointment of Joint D. P. I. সম্পৰ্কে অলপ কম বুলি ভাৱিছো। It is a long sooy:

## Calling Attention to A Matter of urgent public Importance—Nine hurt in gun encounter on Indo-Pak Border.

Shri Premadhor Bora : Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules

of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Assam Tribune, dated the 7th April, 1970 under the caption 'Nine hurt in gun encounter on Indo-Pak Border". I hope the hon. Chief Minister will make a statement in the House in this matter.

Shri Bimala Prasad Chaliha (Chief Minister) : Mr. Speaker, Sir. The news item appearing in the 'ASSAM TRIBUNE' on 7th April, 1970 under the caption "Nine hurt in Gun encounter on Indo-Pak border" is reported from Karimganj and refers to incidents on the nights of April 4, and 5. But according to the report itself, these incidents took place in the West Dinajpur district which is in West Bengal. According to the reports available to the Government, there is no village with the names of Choprabakhari, Benthari and Konal in the Cachar District. These villages are presumably situated in the district of West Bengal. No report of any Gun encounter on the Cachar—East Pakistan border has been received.

## General Discussion On the Budget

Mr. Speaker : Now, item No , 3—Shri Tripathi

(Shri Romesh Mohan Kouli rose to speak)

Mr. Speaker : Yesterday quoram bell was rung repeatedly

for six or seven times and the House had to be adjourned 35 minutes before schedule. Alright, you speak for 5 minutes.

*Shri Romesh Mohan Kouli ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোয়েই যে চৰকাৰৰ যি বিলাক আঁচনি আছে আৰু সেই বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যথেষ্ট চেষ্টা কৰিছে ; কিন্তু ইয়াত যথেষ্ট অপচয় হৈছে। আজি আমি দেখা পাইছো যে আমাৰ সকলো Deptt তে ৰাজহুৱা ধনৰ অপচয় আৰু অপব্যৱহাৰ কৰাটো এটা চিৰাচৰিত নীতি হৈ পৰিছে অথচ তালৈ চকু দিয়া বা নজৰ দিয়াৰ কাৰণে চৰকাৰৰ সময় নায়।

সেই কাৰণে চকুৰ আগতে দেখাদেখিকৈ আচনীবোৰ কাৰ্য্যকৰী কৰিব পৰা নাই, আৰু এটা কথা আমাৰ বাজেটখন যি নিয়মে প্ৰস্তুত কৰিব লাগে সেই মতে নকৰাৰ কাৰণেই প্ৰতি বছৰে আমি ঘাটি বাজেট দেখি আহিছো আৰু প্ৰতি বছৰেই মূল বাজেট পাচ হোৱাৰ পাচত আকৌ পৰিপূৰক বাজেট ডাঙি ধৰিব লগা হয়। গতিকে এই বাজেট প্ৰস্তুত কৰোতে তেওঁলোকে যদি Sensilily অৰ্থাৎ পাধনতা বজাই নাৰাখে তেতিয়াহলে এনেধৰণৰ বেমেজালি কেতিয়াও দূৰ নহয়।

যি বিলাক কামৰ পৰা আমাৰ জাতীয় সম্পদ বৃদ্ধি হব পাৰে আৰু তেনেধৰণৰ কাম নকৰাৰ ফলতেই আজি ধাৰত পোত খাই থাকিব লগীয়া হৈছে আৰু ১৯৪৭ চনৰ পৰাই অসমৰ ২৪৯.৯৩ কোটি টকা ধাৰ হৈছে।

তাৰ পিছত পিছপৰা অঞ্চল বা অনুন্নত জাতি আৰু পিছপৰা সম্প্ৰদায়ৰ কথা কৈছে ; মই অতি দুখেৰে কবলগীয়া হৈছো যুগে যুগে আৰ্য্যসকলৰ দিনৰে পৰা, মোগল, বৃটিছ ৰাজত্বৰ দিনৰে পৰা আনকি স্বাধীনতা হোৱাৰ পিছৰে পৰা এই জাতি জনজাতি বৰ্ণ বৈদ্বেষ আদি চলি আহিছে। আৰু অনুন্নত সম্প্ৰদায়ৰ সকলক অৱহেলা কৰি আহিছে। সংবিধানত লিপিবদ্ধ কৰাৰ পিছতো আজি এই শ্ৰেণীৰ প্ৰতি কোনো সঠিক বিচাৰ কৰা হোৱা নায়।

*Speech not corrected

অইন সম্প্ৰদায়ৰ লগত স্কুল কলেজৰ সুবিধা দিলেও উচ্চ সম্প্ৰদায়ৰ লোক সকলে সেই অনুপাতে বহুত খিনি আগবাঢ়ি গৈছে। আমাৰ জাতীয় চৰকাৰৰ যি সকল মহামানৱে মহাত্মা গান্ধীৰ নাম লৈ জীয়াই আছে তেওঁলোকৰো আজি অনুকম্পা অহা নায়। অথচ সংবিধানৰ সুবিধা আৰু সহানুভূতিবোৰ কাগজে কলমেহে আছে কিন্তু কাৰ্য্য ক্ষেত্ৰত একো হোৱা নায়। আজি চৰকাৰৰ নিয়োগ নীতি, ভূমি সমস্যা সমাধানৰ নীতি ভাল দৰে বিবেচনা কৰি চালে দেখা যাব যে এই পিচ পৰা সম্প্ৰদায় সকলৰ বিশেষ উন্নতি একো হোৱা নাই; যেতিয়ালৈ এই সহায় সুবিধা চৰকাৰে এই পিছ পৰা সম্প্ৰদায় সকললৈ কাৰ্য্যক্ষেত্ৰত আগবঢ়াব নোৱাৰে তেতিয়ালৈ চৰকাৰে সংবিধানৰ নীতিক অৱমাননা কৰিছে বুলি কবলৈ আমি বাধ্য হম।

আজি লক্ষীমপুৰ শিৱসাগৰৰ যি বিলাক পিছপৰা জনজাতিয় অঞ্চল আছে তেওঁলোক অৰ্দ্ধশিক্ষিত; সেই অঞ্চল বিলাক যেনে—পাচীঘাট, ধেমাজী আদিত Electification আৰু কুটিৰ শিল্পৰ কোনো ব্যৱস্থা নহ'ল। এইবোৰ যুগে যুগে ধৰি চলি আহিছে; মই অসম চৰকাৰক জনাব খুজো যদি এই অঞ্চলবিলাকত বৈষমতা দূৰ কৰা নহয় বা কৰিব নোৱাৰে তেতিয়া হলে যেনেকৈ Nagaland, Meghalaya আদি পৃথক ৰাজ্যৰ সৃষ্টি হ'ল থিক তেনেকৈ আমাৰ অসমৰ চুকে কোণে পৰি থকা পিছ পৰা অঞ্চল বিলাকো যে সেই দৰেই অৱহেলিত হৈ পৰি থাকিব সেইটো কোৱা টান আৰু সেই অৱহেলিত অঞ্চল বিলাকেও এদিন পৃথক ৰাজ্যৰ দাবী কৰিবলৈ বাধ্য হব।

আজি আমি শুনিছো যে ধেমাজীত হেনো এটা মহকুমা গঠন কৰিব কিন্তু সেইটো কাগজে কলমেহে হৈছে কিন্তু দুখ পাইছো যে এই বোৰ কাৰ্য্যক্ষেত্ৰত হৈ নুঠে। এইটো সদায়েই পিছুৱাই গৈ আছে; গতিকে যদি এইদৰে পিছুৱাই যোৱাটো Delay is Dangerous "যদিয়ো এটা কথা আছে" Better than this never কিন্তু এই কথাষাৰ সকলো ক্ষেত্ৰতে নাখাটে, সেই কাৰণে মই অনুৰোধ কৰিছো যেন এই Subdivision টো অতি সোনকালে গঠন কৰে।

এই পিছপৰা পাহাৰুৱা অঞ্চলবিলাকৰ পৰা অনেক সৰু সৰু নৈ ওলাই আহিছে, এই নদী বিলাকৰ পৰাও electric power produce কৰিব পাৰি, অতি সোনকালে Machine আদি বহুৱাই এই অঞ্চল বিলাকত electrification ৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত কও আমাৰ Rail-line টো North Lakhimpur পৰা R mdhu হৈ জোনাইৰে তিনিচুকীয়ালৈ ব্ৰহ্মপুত্ৰৰ শাখা নদীৰ ওপৰত এখন দলং দি তিনিচুকীয়ালৈকে এই Railway line টো সংযোগ কৰিব লাগে। এই খিনিকে কৈ মই সামৰণি মাৰিলো।

## Re: Reply to Starred Question No. 110

Shri Dulal Chandra Barua : Mr Speaker, Sir, may I request you for one thing ? I could not come in time unfortunately, due to my going to Lakhipur at the time of circulation of reply to the Starred question No. 110 and so, I request you to supply me the reply to question No, 110 that has been already circulated.

Mr. Speaker : This is not the procedure. Now, Mr. Tripathy.

## General Discussion on the Budget.

Shri Kamakhya Prasad Tripathy (Minister, Finance, Labour) : Mr. Speaker, Sir, this have been one of the longest general discussions on the Budget. Hon' Mem-

bers have made many important suggestions The time at my disposal is very short and so, it will hardly be possible for me to discuss all the points raised.

Shri Bhubaneswar Barman : মাননীয় বিত্তমন্ত্ৰী মহোদয়ে অসমীয়া ভাষাতে কলে ভাল হয়।

*Shri Kamakhya Prasad Tripathi : গোটেই খিনি কথা মই অকলে বাখ্যা কৰিব নোৱাৰিম কাৰণে আগতে মাননীয় সদস্য সকলে এই বিষয়ত সহায় কৰিছিল। ইমান দীঘলীয়া অধিবেশন হৈছে, অথচ সঘনে quorum বেল বাজি থকাৰ কাৰণে যোৱা কালি আধা ঘণ্টা আগতেই অধিবেশন বন্ধ কৰিব লগিয়া হ'ল। সেই কাৰণে বাজেট আলোচনা অলপ সংঙ্কোচ কৰিব লাগে কাৰণ লোকসভাতেই আমি দেখিছো ইমান বেচি সংখ্যক ৫০০ মেম্বাৰৰ মাজৰো general disscussion ৰ কাৰণে মাত্ৰ ৪ দিন সময় ধাৰ্য্য কৰা হয়। অথচ আমাৰ ইমান কম সংখ্যক সদস্যৰ মাজতো general disscussion ত বাজেট আলোচনাৰ কাৰণে ৮ দিন সময় লোৱাটো যুক্তি সংগত হোৱা নাই। আশাকৰো বাজেট Advisory Committee য়ে এই বিষয়ে বিশেষ চিন্তা কৰিব। এতিয়া মই বাজেট আলোচনাত যি বিলাক কথা তুলিছিল সেই বিলাকলৈ আহো। মাননীয় সদস্য গৌৰীশঙ্কৰ ভট্টাচাৰ্য্যয় কালি কৈছিল আৰু কেবাগৰাকী সদস্যও কৈছিল যে অসমৰ বিত্তিয় পৰিস্থিতি Bankrupcy ৰ নিচিনা হৈছে। মই কিন্তু ইয়াত একমত নহও। আমাৰ বিত্তিয় পৰিস্থিতি মুল কথা কেইটা আলোচনা কৰো। আমাৰ Income ২৭ কোটি। বাহিৰৰ ঋণ ৩৭ কোটি তাৰে ৩১ কোটি দিছে আৰু ৬৬ কোটি Unproductive ঋণ ইয়াৰ ভিতৰত আছে। আমাৰ চৰকাৰৰ চাকৰীয়াল দৰ্ম্মহাৰ কাৰণে ৩৩ কোটি খৰচ কৰিব লাগে। আৰু শিক্ষা বাজেটত ২৩ কোটি আৰু পৰিশোধ কৰিবলগীয়া ঋণ ৩০ কোটি। এই ৩ টা item ত আমাৰ ৯০ কোটি টকা দিব লগীয়া

*Speech not corrected

হয়। এই ৰাজ্যখনে নিজৰ Income ৰ ওপৰত চলা নাই। তেনেহলে কেনেকৈ চলিছে? ভাৰত চৰকাৰ অনুদান আৰু আমাৰ Tax Share ৰ পৰা আৰু Central Govt য়ে দিয়া ৪০ কোটি ঋণ এই বিলাক যোগ দি আমি কোনো মতে চলি আছো। Voice—I.S. সকলৰ দৰ্মহাত কিমান হয়, মাননীয় সদস্য সকলে কেবল I.S. ৰ বিষয়ে কৈছে কিন্তু দৰ্মহা বুলিলে সকলো খাপৰ চাকৰীয়ালৰ দৰ্মহাকে বুজায়।

Shri Dulal Chandra Barua : আমাক Brake up টো দিলে ভাল হয়।

Shri Kamakhya Prasad Tripathy : Brake up টো আছে সেইটো মই পিচত দিম। কিন্তু মাননীয় সদস্য সকলে যিটো ধাৰণা কৰিছে যে I.S. ৰ দৰ্মহাতে বেচি খৰচ হৈছে সেইটো নহয় সকলো খাপৰ চাকৰীয়ালৰ ভিতৰত আতাইতকৈ বেচি খৰচ হয় III grade অৰ্থাৎ কেৰাণী শ্ৰেণীৰ, তাৰ পাচত বেচি খৰচ লাগে IV গ্ৰেড তাৰ পাচত 1st গ্ৰেড, তাৰ পাচত হে I.S. ত খৰচ হয়। গতিকে I.S. ক খেদাই দিলেই যে ভাল হয় সেইটো নহয় যদি মাননীয় সদস্য সকলে Brake up টো যদি চাব খুজিছে সেইটো মই দিম। কিন্তু এতিয়া এই পৰিস্থিতিত আমি কি কৰিম, ভাৰত চৰকাৰে এইটো বুজিছে যে অসমৰ উপাৰ্জ্জন নাই সেই কাৰণে planৰ ২৩৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিব। গতিকে Central Govt এ যদি Invest কৰিব নোৱাৰিলে হেতেন তেন্তে ইমানখিনি টকা কিয় দিব? অৱশ্যে আমাৰ বিত্তিয় পৰিস্থিতি চিন্তনীয় হৈছে যদিও Bankrupcy হোৱাহি নাই। আগৰ দুটা বাজেট কালত ৰাজ্য খনত উপাৰ্জ্জনৰ ব্যৱস্থা নকৰিলে সেই কাৰণেই এতিয়া এই অবস্থা হৈছে। Constitution এ ৰাজ্য চৰকাৰক কি দায়িত্ব দিছে। সংবিধান মতে Industrial Development ৰ দায়িত্ব central Govt ৰ। ৰাজ্য বিলাকৰ প্ৰশাসনিক দায়িত্বহে আছে। এখন ৰাজ্যৰ উপাৰ্জ্জন বৃদ্ধি হয় Industry ৰ ওপৰত হে। কিন্তু ইয়াৰ দায়িত্ব ৰাজ্য চৰকাৰৰ নহয়, কেন্দ্ৰীয় চৰকাৰৰ হে। কিন্তু কেন্দ্ৰীয় চৰকাৰে এই দায়িত্ব সম্পূৰ্ণ পালন কৰিব

নোৱাৰিলে। কেন্দ্ৰীয় চৰকাৰে কিছুমান Industry কৰিব আৰু প্ৰাইভেট Sector, কৰিব এইটো কেন্দ্ৰীয় চৰকাৰৰ নীতি। কিন্তু অসমৰ ক্ষেত্ৰত Public Sector Industry কেন্দ্ৰীয় চৰকাৰে বৰ মন কান কৰা নাছিল। সেই কাৰণে অসমৰ ৰাইজে আন্দোলন কৰিছে ১ম Oil Refinery ২য় Oil Refinery আনিব লগীয়া হৈছিল। সকলো ৰাজ্যৰ কাৰণে যি ধৰণে Industry কৰিব লাগিছিল সেইটো নকৰিলে। Private Sector ত Industry স্থাপন কৰিবৰ কাৰণে Finance Corporation পাতি দিলে। কিন্তু Finance Corporationএ টকা কলিকতা বোম্বে, মাদ্ৰাজ দিল্লীত খৰচ কৰা হল তাৰ পাচত যি খিনি টকা থাকিল সেই খিনি অনান্য ৰাজ্য বিলাকে নাপালে। সেই কাৰণে আমাৰ ৰাজ্যিক চৰকাৰৰ বিত্তিয় পৰিস্থিতি বেয়া হৈছে, ভাৰত চৰকাৰে এনেকুৱা কিছুমান plan লৈছে যি বিলাকক Tight plan বুলি কব পাৰি। সেই কাৰণে আজি যি বিলাক State ত এই অনুস্থান বিলাক হবলৈ নাপালে, সেই State বিলাকৰ বিত্তীয় পৰিস্থিতি কিছু বেয়া হ'ল আৰু বেয়া হোৱাৰ যথেষ্ট কাৰণো আছে। কাৰণ ভাৰত চৰকাৰে সেই সময়তে এটা Type plan কৰি প্ৰত্যেক State ক কলে যে এই ব্যৱস্থাটো লব লাগে। আৰু কলে যে এই Type planning মতে কাম কৰি চাওক। পাঁচ বছৰৰ পাচত কি হয় দেখা যাব আৰু পাঁচ বছৰৰ পাছত নিশ্চয় Normalise কৰিব পৰা হব। এই দৰে কৈ লৈ ললে আৰু কিছুমান State ক দিও দিলে। কিন্তু ৬৬ কোটি টকা মান হলে গুলোটাই দিব লাগিব। এনে ক্ষেত্ৰত আমাৰ কৰ লগীয়া বিশেষ নেথাকিল। সেই কাৰণে পিচপৰা State বিলা- আজি এই পৰিস্থিতিত হল।

তাৰ পাছত আপোনালোকে জানে যে দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰত চৰকাৰে কি কৰিলে তেওঁলোকে যিমান বিলাক plan কৰিছিল সেই মতে প্ৰত্যেকটোতে প্ৰায় শতকৰা ৭০/৮০ ভাগ খৰচ হল। কিন্তু সেই মতে সকলো কাম হৈ নুঠিল। এই কথা তেওঁলোকে স্বীকাৰ কৰি ললে। গতিকে তেওঁলোকৰ মতে আমাৰ plan বিলাক ভুল হোৱা নাই।

আজি চতুৰ্থ পঞ্চবাৰ্ষিক যোজনাত যি বিলাক Scheme আছে তাত State ৰ আয় বঢ়াব পৰা আচনি কম, কিন্তু খৰচ বঢ়াব পৰা হলে বেছি। কাৰণ আজি তিনিটা পৰিকল্পনা আৰু তিনিটা 'এধক' পৰিকল্পনাত আমি দেখিবলৈ পাইছোঁ প্ৰায় ২৭৪ কোটি টকা খৰচ হৈছে ; তাৰ ভিতৰত invesment 30% percent খৰচ কৰিছে। এই বিলাক টকা State Development ৰ বাবেই খৰচ হৈছে ; কিন্তু আমাৰ income হলে বঢ়া নাই। সেই কাৰণে আমি এতিয়া 4th plan টো Recast কৰিব লাগে, যাতে আমি অতি সোনকালে নতুন নতুন টেক্স পাবলৈ Industry কৰিব পাৰো। মোৰ বোধেৰে আমাৰ মাননীয় সদস্য শ্ৰীবিজয় ভাগৱতী দেৱে এটা কথা কৈছিল। সেইটো হল South East Asian Drama ৰ কথা এই বৰ important কথা। এই Asian Drama নামৰ কিতাপখন লিখিছে "গোৰনাম মৃত্যালে"। তাত এটা কথা কৈছে আৰু আমি সেই কথাটো Study কৰিব লাগে।

আকৌ ভাগৱতী ডাঙৰীয়াই এইটোও কৈছে, যে ভাৰতবৰ্ষত National Savings হৈছে। শতকৰা ১০% P.C. কিন্তু inflation ৰ কাৰণে এতিয়া হৈছে শতকৰা ৮% p.c আৰু 4 th plan ৰ শেষত হব আকৌ শতকৰা ১০% এইটো ২৪% percenet raising population ৰ against এ হৈছে। তাৰ আগতে দেখা যায় ১৯৫১ চনত হল শতকৰা ১০% আৰু তাৰ পৰা বাঢ়ি গৈ শতকৰা ১২% P.C. পাইছিল। কিন্তু এতিয়া আকৌ নামি গৈ শতকৰা ৮% P. C. হৈছে। গতিকে তেওঁ কৈছে যে শতকৰা 10% যদি Savings হয় তেন্তে তাৰ Ratio 3·3 Population increase হব আৰু তাত ৯% P. c. population এ লাভ কৰিব।

গতিকে ভাৰতবৰ্ষৰ কাৰণে অন্ততঃ শতকৰা ২০ % P.C. Savings কৰিলেহে আমি লাভ কৰিব পাৰিলেহেঁতেন নাইবা শতকৰা ১৫% P. C. হেৰা হলেও আমি অনুভৱ কৰিব পাৰিলোঁ হেঁতেন আৰু সেইমতে কিছু Develop কৰিব পাৰিলোঁহেতেন।

গতিকে Small plan economy লৈ আমি চাব লাগিব।

মাননীয় সদস্য সকলৰ পৰা যি টেক্সৰ বিষয়ে আপত্তি আহিছে তাত আপোনালোকে নিজেই চাওক যে Reases ৰ বাহিৰে আমাৰ কি আছে ?

**Shri Atul Chandra Goswami :** চাকৰিয়াল সকলৰ কাৰণে যি টেক্স বঢ়াই দিব লাগে তাৰ কি অৰ্থ আছে ?

**Shri Kamakhya Prasad Tripathi :** আমাৰ Deptt বিলাকত এনেকুৱা চাকৰিয়াল কিছুমান আছে যে ১ সপ্তাহৰ ভিতৰতো তেওঁলোকৰ ১ ঘণ্টাৰো কাম নাই ; কিন্তু সেইটো আমি গোচাব পৰা নাই। নতুনকৈ মানুহ লোৱাৰ পদ্ধতি কৰিলে নিবনুৱা সমস্যাৰ কথা আহি পৰে। আমি কৈছোঁ প্ৰত্যেক Deptt ত নতুন মানুহ লোৱাটা বন্ধ কৰক—আৰু থকা বিলাকক কাম বঢ়াই দিয়ক। কিন্তু প্ৰত্যেক Deptt এ এটা Prestige ৰ কথা বুলি ভাৱে আৰু আৱশ্যক মতেই মানুহ লওঁতে কিছুমানৰ কেতিয়াবা কামেই নাথাকে কিন্তু এতিয়া আমাক Lower Level ত মানুহ নেলাগে ; নতুন ধৰণৰ কিবা Development ৰ কথা হলে, তেতিয়া Administration ত তেওঁলোকে Assist কৰিব লাগে, তাৰ কাৰণে তেওঁলোকক মানুহ দিয়া হৈছে। কিন্তু আমাৰ পুৰণিকলীয়া এটা System আছে যে তলৰ কেৰাণীয়ে Note লিখিব লাগে আৰু তাৰ ওপৰৰ বোৰে সেইটো Aprove কৰিব লাগে। কিন্তু প্ৰত্যেক Deptt. তে সেইটোৰ দৰ্কাৰ নাই। কিন্তু আমাৰ ফালৰ পৰাও সেইটো বন্ধ কৰিব পৰা নাই। বৰং নিয়মিত ভাৱে সেইবিলাক প্ৰত্যেক Deptt তে ঘটিয়েই আছে।

বৰ্ত্তমানে আমাৰ অসম চৰকাৰৰ তলতীয়া কৰ্ম্মচাৰী প্ৰায় এক লাখমান হয়। কিছুমানৰ মতে ইমান বিলাক মানুহৰ দৰ্কাৰ নাই; তাৰ ঠাইত 40 হেজাৰমান হলেই চলিব পাৰি। কিন্তু তেতিয়া

হলে ওপৰৰ অফিচাৰ সকলক সৰহ খিনি কামৰ দায়িত্ব দিলে সেইটো সম্ভৱ হব পাৰে।

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, আমি Administration নতুনকৈ কৰিব লাগে বুলি বহুতবাৰ কৈছিলোঁ আৰু আমি আপত্তিও কৰিছিলোঁ যে চৰকাৰে চাকৰি দিয়া ক্ষেত্ৰত নিয়োগৰ ব্যৱস্থা ভাল হোৱা নাই। যদি আমি আমাৰ প্ৰশাসন নতুন কৰি শাসন যন্ত্ৰটো ৰাইজৰ মনোপ্ৰোত ভাৱে কৰা হলে সকলো ফালৰপৰা ভাল হলহেতেন আৰু লগে লগে Industry বিলাকো Develop হলহেঁতেন।

Shri Kamakhya Prasad Tripathi : এই ক্ষেত্ৰত মই মাননীয় সদস্যৰ লগত একমত। এই বিষয়ে আলোচনা কৰিবলৈ আমাৰ এটা কমিটি আছে। সেই কমিটিত মাননীয় সদস্য কেইজন মানো থাকিব আৰু আমিও থাকিম। তাত এইটো উত্থাপন কৰি আলোচনাৰ পাচত এটা সিদ্ধান্ত কৰিলে ভাল হব। তাৰ কাৰণে চৰকাৰৰ Administration এ এটা নিৰ্দ্দেশ দিব লাগিব। এই নিৰ্দ্দেশটো পালেহে কথাটো বিবেচনা কৰিব পাৰি।

Shri Bimala Prasad Chaliha : চাৰ, এই লোক আয়ুক্ত আৰু পালিকাৰ বিলখন লোকসভাত গৃহীত হৈছে। ৰাজ্য সভাত গৃহীত হোৱা নাই। ৰাজ্য সভাত গৃহীত হলেহে আমাৰ ইয়াত গ্ৰহণ কৰাৰ কথা।

Shri Kamakhya prasad Tripathi : এটা Intersting seminer হৈছিল কটকত। তাত আছিল—বৈদ্যনাথ মিশ্ৰ, দ্বিতীয় আছিল চক্ৰধৰ মিশ্ৰ আৰু তৃতীয় আছিল দীনবন্ধু পাত্ৰ। নিজৰ Resonable কমাই Relief দিয়াত Modern economic থাকিব পাৰেনে ?

বৰুৱা ডাঙৰীয়াই সেই কাৰণে High investment economic লৈ যাব লাগিব।

Shri Atul Chandra Gaswami : স্কাণ্ডিনেভিয়াৰ Country ত মাটিৰ খাজনা আছে নেকি ?

Shri Kamakhya Prasad Tripathy : আছে। মাটিৰ Ownership থাকিলেই খাজনা থাকিব।

M. Shamsul Huda : ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যত খাজনা উঠাই দিছে, Ow ership ও উঠাই দিছে নেকি ?

Shri Kamakhya Prasad Tripathi : মাটিৰ খাজনা হিচাবে লোৱা নাই। কিন্তু iirigation cess হিচাবেহে লৈছে।

Shri Atul Chandra Goswami : বেপাৰীসকলে তেওঁলোকৰ ব্যৱসায়ৰ লাভৰ ওপৰত incometax দিছে, যদি মাটিৰ মালিক সকলে সেই-দৰে লাভ কৰিব নোৱাৰে তেতিয়াহলে তেওঁলোকে কিয় খাজনা দিব ?

Shri Kamakhya Prosad Tripathi : মাননীয় সদস্যই অলপ ভুল কৰিছে কিয়নো Property আৰু tax এই দুয়োটাৰ মাজত সম্বন্ধ আছে। Property থাকিলেই Ownership ও থাকিব আৰু তাৰ ওপৰত tax দিব লাগিব।

Shri Premadhor Bora : যিবিলাক নতুন tax ৰ কথা কৈছে সেই tax ৰ বাহিৰেও পুৰণা tax বিলাক কিয় উঠাব পৰা নাই ?

Shri Kamakhya Prasad Tripathi : সেই বিষয়ে মই পিচত কম। ৩টা পৰিকল্পনাৰ ভিতৰত প্ৰথম পৰিকল্পনাক ৮০ লাখৰ পৰা Unemployment ৰ সংখ্যা ১২কোটিলৈ বাঢ়িছে। মুঠ তিনিওটা পৰিকল্পনাৰ ভিতৰত সংখ্যা ৩·৩ কোটি হব। ইয়াৰ কাৰণ হ'ল

আমাৰ Potencial Development তেনেই নগন্য। গতিকে bigger plan কৰিব লাগিব তেহে দেশৰ উন্নতি হব। আমি 70:30 Ratio Basis ত problem solve কৰিবলৈ হলে Govt. of India ৰ পৰা আমি 30% Grant পাম। বাকীখিনি আমি দিব লাগিব। বাকী Social development ও 30% থাকিব। যিবিলাক Infrostnature সেই বিলাকত ৰাস্তা নিৰ্ম্মাণ ঘৰ সজা আদিৰ খৰচো তাত ধৰিব লাগিব। গতিকে মাননীয় সদস্যই হয়তো ভাবিছে Social development restriction আহিব বুলি। মইও কব খুজিছো যে প্ৰাথমিক শিক্ষা বহাৰ লাগে। এইটো Cent Percent নোহোৱালৈকে বঢ়াব লাগে। আগতে আমাৰ ইয়াত কলেজ আছিল ২৩ টা তাৰ ঠাইত এতিয়া ১২৩ টা হৈছে। হাইস্কুল আছিল ৩০০ টা তাৰ ঠাইত এতিয়া ১১০০০ টা ; এইদৰেই খৰচৰ পৰিমাণ বাঢ়ি গৈছে আৰু শিক্ষাৰ ক্ষেত্ৰত Capital investment বাঢ়িছে।

Shri Maneswar Boro : এই বিলাক town area ত হে হৈছে গাওঁ অঞ্চলত হোৱা নাই।

Shri Kamakhya Prasad Tripathi : গাওঁ অঞ্চলতো হৈছে। গতিকে এই কথা শুদ্ধ নহয়।

Shri Atul Chandra Goswami : চাকৰি দিব নোৱাৰা কাৰণে লৰা ছোৱালী পঢ়োৱাৰ জন্মগত অধিকাৰনো অপহৰন কৰিব খুজিছে নেকি ?

Shri Kamakhya Prasad Tripathi : সেইটো নহয়। স্কুলৰ লগতে আহিলাপাতি, শিক্ষক ঘৰ আদি অন্যান্য সা সুবিধাও দিব লাগিব নহলে উপযুক্ত স্কুল নহব, গতিকে সেই বিলাকো দিব লাগিব।

M. Shamsul Huda : আগতে ৩ শ স্কুল well equipped কৰিলে ভাল হ'লহেতেন।

**Shri Kamakhya Prasad Tripathi :** মাননীয় সদস্যই নুবুজিলে কি কৰিম্।

**Shri Atul Chandra Goswami :** আমাৰ M. E. বা High School বিলাকৰ ঘৰ বাইজেই সাজে আৰু চৰকাৰে কেৱল ফিটা কাটি স্কুল Open কৰে।

**Shri Kamakhya Prasad Tripathi :** তেখেতে সেইটো ভুল বুজিছে। দোষ গুণ আলোচনা কৰা নাই।

**Shri Dulal Chandra Borua :** চৰকাৰক মই দোষ দিয়া নাই, অৱস্থাকে দোষ দিছো।

**Shri Debeswar Sarmah :** নামঘৰৰ ভকতৰ মিছিনাহে ইয়াত আলোচনা হৈছে।

**Shri Dulal Chandra Barua :** আমাৰ কথা হৈছে শিক্ষা সঙ্কোচৰ নীতি সম্পৰ্কত কব বিচাৰিছো আমাৰ আগৰ শিক্ষামন্ত্ৰী আৰু অৰ্থমন্ত্ৰী আছিল, তেখেতসকল এতিয়া নামঘৰত বহি থকাৰ সময় হৈছে। গতিকে নামঘৰত বহি থকাটোৱেই ভাল।

**Shri Kamakhya Prasad Tripathi :** এতিয়া মোৰ কথা হৈছে Figure টো দিয়া।
তাত বৈশম্য নাই

(A Voice কোনে কৰিলে ?)

**Shri Kamakhya Prasad Tripathi :** মই কৈছো Tripathi এ দোষ কৰিলে। মাননীয় সদস্য শ্ৰীদেবেশ্বৰ শৰ্ম্মাই উত্থাপন কৰিছে যে ভাৰত গৱৰ্ণমেণ্টে আমাৰপৰা যিমানখিনি Tax লৈ যায় সেইখিনি ফিৰাই দিয়ক। মোৰ বোধেৰে সেই Demand টো শুদ্ধ নহয় কাৰণ আমাৰ ইয়াৰপৰা যিমান খিনি Tax লৈ গৈছে তাতকৈ বেছি

ফিৰাই দিছে। যিখিনি Tax লৈ যায় সেইখিনি যদি ফিৰাই দিয়ে তেন্তে পিচপৰা দেশ এখনৰ উন্নতি হোৱাৰ উপায় নাই। এই Demand টো কৰিলে উন্নতি কৰিব পাৰিম। তেখেটে সুধিছিল যে আমাৰ ইয়াৰপৰা কিমান টকা লৈ যায় আৰু কিমান টকা Invest কৰে? 1966 আৰু 1967 ৰ Figure ৰ চক।

Shri Debeswar Sarmah : আগৰ বিলাক দি কি লাভ, এতিয়াৰ, বিলাক দিয়ক।

( A Voice এতিয়া বহুত পৰিবৰ্ত্তন হৈছে )

Shri Kamakhya Prasad Tripathi : এইখিনি যোগ কৰিলে প্ৰায় ৩৮ কোটি টকা হয়। তেওঁবিলাকৰ পৰা আমি যিটো টকা পাইছো, সেইটো হৈছে 41 crores যোৱা বছৰ 52 crores পাইছো, Loan নহল, grant. 18 crores by way of Share আৰু বাকীখিনি Loan. Loan আৰু grant যোগ কৰিলে 85 crores. grant আৰু Share মিলাই 52 crores হয় ১৯৬৭, ১৯৬৮ চনত। যোৱা বছৰ oil India, O. N. G. C. Railway, Post and Telegraph ৰ পৰা 263 crores পোৱা হৈছে অথচ এইখিনি টকা Invest কৰাৰপৰা Employment কিমান হৈছে? সেইটো তেনেই নগন্য।

গতিকে ইয়াত Employment generating Capacity কম।

Heavy Capital Invest নকৰিলে Resource creat কৰিব নোৱাৰো। Refinary Petrochemical Complex দাবী কৰিলে লাভ জনক হব। কিন্তু যিখিনি টকা লৈ গৈছে সেইখিনি ফিৰাই দিলে লোকচানত পৰিম।

তাৰ পিচত শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্যই এখন চেমিনাৰলৈ গৈছিল, তাত সকলো প্ৰদেশে ভাৰত গৱৰ্ণমেণ্টৰপৰা ক্ষমতা কাঢ়ি লবৰ কাৰণে চেষ্টা কৰিছে। সকলোৰে মিলি ভাৰত গৱৰ্ণমেণ্টৰপৰা

Finance ৰ অধিকাৰ কাঢ়ি ললে, Power কাঢ়ি তলে লাভ কি হব? যিবিলাক উন্নত দেশ, Populus দেশ সেই বিলাকৰ লাভ হব। কেঙ্গল মহাৰাষ্ট U.P. আদিয়ে power কাঢ়ি ললে লাভ জনক হব। ভাৰত গভৰ্ণমেণ্টৰ Corporation Tax Export Import duty ৰ যিটো উপাৰ্জন হয় তাৰ পৰা Undeveloped State বিলাকে সুবিধা পাইছে। সেইটো Tax যদি Originate কৰা যায় তেন্তে, অসমৰ বেছি ভাগ কলিকতাত Originate হৈ যাব। গতিকে Developed State বিলাকে originate কৰাৰ যিটো ষড়যন্ত্ৰ কৰিছে তাত Undeveloped state বিলাকে অংশ গ্ৰহণ কৰিলে লাভবান নহল। আমি ভাৰত গৱৰ্ণমেণ্টৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব, বাধ্য কৰাব লাগিব যাতে তেওঁবিলাকে আমাৰ ইয়াত Tax originate কৰি তাৰ পিচত Tax ফিৰাই দিয়ে। মাননীয় সদস্যসকলে এটা কথা সদায় কৈ থাকে যে Agricultural sector নুচুবা চুলেই দাং খাই উঠিব। কিন্তু সেইটো Stage এতিয়া পাৰ হৈ গ'ল। আগত আমাৰ জাতীয় আয় তিনিশ কোটি টকা আছিল। এতিয়া তাৰ ঠাইত জাতীয় আয় আঠশ কোটি টকা হৈছে। এতিয়া আমাৰ Industrial Development হৈছেনে Comercially Development হৈছে। এতিয়া আমাৰ Agricultural Commodity ৰ দাম বাঢ়িছে। যাৰ কাৰণে আজি আমাৰ আয় ৩০০ টকাৰ পৰা ৮০০ টকালৈ বাঢ়িল এই বিলাক যদি কেৱল Tax হিচাবেই খৰচ কৰা হয় তেনেহলে আমাৰ কৃষিৰ উন্নতি কৰিব নোৱাৰিব। কাৰণ এই কৃষিৰ উন্নতি কৰিবলৈ হলে আমাৰ জলসিঞ্চনতো বহুত টকা লাগে।

Shri Debeswar Sarmah : এই বিলাক Deficit finance ৰ কাৰণে বাঢ়িছে।

Shri Kamakhya Prasad Tripathy : Deficit finance ৰ কাৰণে বস্তুৰ দাম বাঢ়িছে সঁচা। কিন্তু সকলো বস্তুৰ দাম বঢ়াৰ লগে লগেই সকলো বস্তুৰ লগতে আমাৰ কৃষি বস্তুৰো দাম বাঢ়িল। এই কাৰণেই

এই বিষয়টো আলোচনা কৰা নাই। কিন্তু ইয়াৰ পৰিনামটো আমি আলোচনা কৰিছো যে, আমাৰ ৩০০ টকাৰ ঠাইত আমাৰ আয় হৈছেগৈ। ৮০০ টকা। এইটো কেনেকৈ হৈছে ?

গতিকে আমি গোটেইখিনি কথা হিচাব কৰা নাই। কাৰণ আমি ধৰি লৈছো যে, ২০% Monetised হ'ল। যেতিয়া ৫০০ টকা বাহিলে তেতিয়া প্ৰায় ১০০ টকাই Additionl money income হ'ল।

এই আয়ৰ যদি এটা অংশ ৰাজ্য কৃষিৰ কাৰণে, বা জলসিঞ্চনৰ কাৰণে খৰচ কৰে তেতিয়াহলে কি হব ?

Shri Debeswar Sarmah : খেতিয়কৰ ওপৰত আকৌ Tax লগাওক। তেতিয়াতো আপুনি আপোনাৰ চৰকাৰ চলাব পাৰিব।

Shri Kamakhya Prasad Tripathy : এই Tax লগোৱাৰ কোনো কথাই নাই। কাৰণ আজি আমি বহুত Tax এতিয়ালৈকে লবই পৰা নাই। এতিয়া আমাৰ Tax ৰ অৱস্থা হৈছে কি ? আমাৰ দেশত ২½ কোটি Tax ৰ ভিতৰত আমি পাও ১ কোটি টকা। এনেকৈ হলে আমাৰ দেশৰ উন্নতি কেনেকৈ হব ।।

Shri Debeswar Sarmah : আপুনি বিত্ত মন্ত্ৰী হৈছে যেতিয়া বঢ়াব পাৰিব।

Shri Kamakhy Prasad Tripathy : আপুনি হোৱা হলে পাৰিলেহেতেন কিন্তু মই অতিৰিক্ত Tax লগাব নোখোজো। কাৰণ তেতিয়াহলে আমাৰ উন্নতিৰ গতি লেহেম হব। গতিকে প্ৰধান মন্ত্ৰীয়েও তেখেতৰ বাজেটত এই সম্পৰ্কে কৈছে।

গতিকে আমি যদি Income tax ৰ Corporation tax ৫০% কৰিলোহেঁতেন। আৰু লগে লগে Private Sectorৰ Capital formation কমি যাব। আজি সকলোৱে Industry বিলাকৰ Nationalise কৰাৰ কথা কৈছে। কিন্তু আজি আমাৰ Industry ৰাষ্ট্ৰীয় কৰণ

কৰিলেই আমাৰ সমস্যাৰ সমাধান নহব। এই সম্পৰ্কত কালি মাননীয় সদস্য শ্ৰীগৌৰিশংকৰ ভটাচাৰ্য্য ডাঙৰীয়াই কিছু মূল্যবান কথা কৈছিল। যে আমাৰ Public Sector ৰ investement বিলাক Lcssing Concern হৈছে। ভাৰতৰ প্ৰায় বিলাক Industry বা Company তে আজি এইটোৱে দেখা দি আহিছে।

ঠিক তেনেকৈয়ে সিদিনা Parliament ত এই বিষয়টোত মাননীয় সদস্যসকলে কৈছে যে যি খিনি Investment হৈছে আজি Private Sector ৰ যেই কোনো বস্তুৰেই পাচত Public Sector অন্তভূৰ্ক্ত হৈ পৰে।

গতিকে আজি এই কথাটোও বেচি জোৰ দিব লাগিব। কাৰণ আজি এইটো আমাৰ সমাজৰে প্ৰশ্ন নহয় এইটোৰ কাৰণে আনকি বংগ দেশৰ কমিউনিষ্ট পাৰ্টিয়েও আন্দোলন কৰিছে খেতিয়কক ব্যক্তিগত মাটি দিবৰ কাৰণে। এতিয়া ভাৰতবৰ্ষৰ Psychology টো হৈছে যে খেতিয়কক মাটি দিয়াৰ ক্ষেত্ৰত কোনো Stratagic বিচাৰে লোৱা নাই। এই ক্ষেত্ৰত নেহৰুৱে কৈছিল যে, Which is a mixed economy এতিয়া সেই কাৰণে এই কথাটোত যে, public sector ত মুনাফা লবৰ কাৰণে বেচি যত্ন কৰিব লাগে। এতিয়ালৈকে আমি যি বিলাক যত্ন কৰিলো তাতকৈও আৰু বেচি যত্ন কৰিব লাগে। যেতিয়া এই বিলাক private seetor ত থাকিব তেতিয়ালৈকে আমাৰ public sector টো সৰল নহয়। এতিয়া এই পৰিস্থিতিটো গুচাবৰ কাৰণেই যত্ন কৰিব লাগিব। সেই কাৰণে আমি আজি অকল I.A.S. অফিচাৰৰ ওপৰতে সকলো নিৰ্ভৰ কৰিব নোৱাৰো সকলো কথা ভাবি চাই ভাল দৰে management কৰিব নোৱাৰিলে Socialistic theory সফল নহব।

আজি আমি Agriculture Sector Land Revenue ৰ কথা propose কৰিব খুজিছো। ইয়াৰোপৰি মাননীয় সদস্যসকলে Education Tax ৰ কথা কৈছে। এই Education Tax বেঙ্গলত আমাতকৈ আগতে লগাইছে। তাৰ youth সকলেই এইটো

বঢ়াবৰ কাৰণে প্ৰস্তাৱ দিছিল। ইয়াৰোপৰি মহাৰাষ্ট্ৰ, বিহাৰ আদিতো Education cess আছে।

Shri Atul Chandra Goswami : শিক্ষা সম্প্ৰসাৰন আমাৰ দৰে বেঙ্গলত বন্ধ কৰা নাই।

Shri Kamakhy Prosad Tripathy : মাননীয় সদস্য সকলক মই যোৱা বাৰ বাজেটতো কৈছিলো যে জনসাধাৰনৰ হাড় হিচাবত আটাইতকৈ বেচি কলেজ আৰু হাইস্কুল আছে আমাৰ অসমতে। বেঙ্গলো হৈছে Next to Assam এই ক্ষেত্ৰত আমি এতিয়া Finance Commission ক জবাব দিব লগা হৈছে। কিন্তু অন্য ৰাজ্যতকৈ শিক্ষাৰ ক্ষেত্ৰত আমি পিচপৰিহে গৈছো।

এতিয়া আমাৰ স্কুলৰ Quantity হে বাঢ়িল কিন্তু Quality বঢ়া নাই। Quantity কিজানি ৮০% লৈ বাঢ়িল। এতিয়া আমি এইটোকে Half কৰিম বুলি প্ৰস্তাৱ কৰিছো। কাৰণ তেতিয়া কিজানিবা Quality ৰো উন্নতি হয়।

ইয়াৰ পিচত মাননীয় সদস্য সকলে কৃষি আয়কৰৰ কথা কৈছে। মাননীয় সদস্য সকলে জানে যে, আমাৰ ৰাজ্যত কৃষি আয়কৰ শতকৰা ৬০% পৰা শতকৰা ৬২% কৰা হৈছে। বংগ দেশত ৫০% কেৰেলাত আনকি Leftist চৰকাৰেও ৪৫% কৃষি আয়কৰ কৰিলে।

এতিয়া Premium ৫ টকাৰ ঠাইত ৫০ টকা কৰিলে কিন্তু মাটিৰ দাম ১০ গুণ বাঢ়িছে, তেনেক্ষেত্ৰত এতিয়া ৫০ টকা কৰাটো কোনো অন্যায় হোৱা নাই বুলি মই ভাৱো অথচ তাৰ কাৰণেই আপত্তি কৰিছে। এতিয়া যি সকলৰ একচনা পট্টা আছে তেওঁলোকক সকলো অধিকাৰ দিয়া হৈছে, কেৱল বিক্ৰী কৰিবলৈ অধিকাৰ দিয়া হোৱা নাই। তেওঁলোকৰ পট্টা periodic কৰি দিয়া হোৱা নাই এই কাৰণেই, যাতে বিক্ৰী কৰাটো বন্ধ হৈ যায়। এতিয়া দেখা যায় periodic কৰা কামটো যদি সোনকালে হয় তেতিয়া তেওঁলোকে সেই পট্টা বিক্ৰী

কৰি বহুত গুণ টকা আদায় কৰিব পাৰিব আৰু সেই কাৰণে তেওঁ-লোকৰ ৫০ টকা কৰাত কোনো আপত্তি নায়। কাৰণ তেতিয়া automatic periodic হৈ যাব গতিকেই ৫০ কি ১০০ টকা দিব-লৈয়ো তেওঁলোক ৰাজী হব। আকৌ perodic কৰিবলৈ গলে তেওঁলোকৰ ১০০ টকাতকৈও বেচি খৰচ হব। যি ক্ষেত্ৰত মাটিৰ দাম ১০ গুণ বাঢ়িছে তেমে ক্ষেত্ৰত periodic কৰা মানে বিক্ৰী কৰাব উদ্দেশ্য আৰু বিক্ৰী কৰিলেই বহুত টকা লাভ কৰিব।

**Shri. A N. Akram Hussain :** মোৰ প্ৰশ্ন হ'ল যে আমি একচনীয়া পট্টাৰ মাটি বন্ধক দি Bank ৰ পৰা Agricultural Loan Rehabilitation Loan Indu trial Loan, আদি নাপাও কিন্তু ম্যাদী কৰিলে পাম গতিকে ইয়াৰ ব্যৱস্থা কি কৰিব ?

**Shri Kamakhya Prasad Tripathi :** একচনীয়া মাটিৰ পট্টা Transfer কৰিব নোৱাৰি কিন্তু বাকী সকলো অধিকাৰ দিয়া হৈছে।

**Shri Atul Chandra Goswami :** কিমান টকা ৰাহী হব ?

**Shri Kamakhya Prasad Tripathi :** যি হওক ইয়াৰ পৰা আমি ৯ কোটি টকা ধৰিছো ; মাননীয় সদস্যই প্ৰশ্ন কৰি আমাৰ ফালে চোৱা নাই। আমাৰ উদ্দেশ্য হ'ল ২৩৬ কোটি টকা তুলিব লাগে Development ৰ কাৰণে আগৰ বিত্তমন্ত্ৰীয়ে ২ কোটি টকা Raise কৰি বাজেট তৈয়াৰ কৰিছিল এতিয়া মই সাহ কৰি ৫০ কোটি টকা কেনেকৈ কৰ পৰা Raise কৰিম। মই ভাবিছিলো ১০ কোটি টকা tax ৰ দ্বাৰা Raise কৰিম আৰু ১৫ কোটি টকা Capital ৰ দ্বাৰা কৰিম। আৰু ভাবি-ছিলো ৪ বছৰে ৯ কোটি মান টকা বাঢ়িব, এতিয়া যদি সেইটো নহয়গৈ তেতিয়াহলে planning ৰ টকা কমি যাব। কিন্তু এইটো কাৰণে ২৩৪ কোটি মান টকাৰ plan আমি কৰিব পাৰিম।

**Shri Atul Chandra Gos ami :** মোৰ প্ৰশ্ন হল একচনীয়া পট্টাত আমি Loan পাব পাৰো নে নোৱাৰো ?

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই যিটো প্ৰশ্ন কৰিছে সেইটো একেটা প্ৰশ্নই কৰিছে, বন্ধক দিবলৈ হলে Transfer right থাকিব লাগিব। periodic কৰি দিলেহে সেইটো right পাব।

ভাৰত চৰকাৰে ১৯৫৮ চনৰে পৰাই ২৬ কোটি টকা Tax, excise পৰা পাইছে। ইয়াৰ পৰিমানত অসম চৰকাৰে বছৰি চাহৰ পৰা আয় পাইছিল প্ৰায় ৬/৭ কোটি টকা। Agricultural Income Tax আৰু Carriage Tax কমি ১½ কোটি টকা হৈছেগৈ। Bengal Govt য়ে এতিয়া অসম চৰকাৰৰ ওপৰত Entry Tax ২½ কোটি লগাইছে। অথচ ভাৰত চৰকাৰে তেওঁলোকৰ ওপৰত Entry Tax বন্ধ কৰি দিছে।

এতিয়া কথা হ'ল নতুনকৈ Zonal System কৰাত অসমৰ চাহপাত Uneconomic বুলি অসমৰ চাহ পাতৰ ওপৰত Tax কমাই দিয়ে ফলত বাহিৰত অসমৰ চাহপাতৰ দাম কমি গৈছে। আনকি কাছাৰ জিলাত চাহৰ দাম London Market ত বেছি পাইছে। এই যে Zonal System কৰিছে সেইটোৰ কোনো যুক্তি নাই। এই system টো তুলি দিব লাগিছিল। কেন্দ্ৰীয় চৰকাৰে চাহৰ ওপৰত ৬৫।৫০ পইচা Bengal য়ে ২০ পইচা পাইছে আৰু Southern India য়াই পাইছে ৪৫ পইচা। অসম Govt ৰ পৰা যিটো ৭½ টকা Tax পাইছিল এতিয়া Export duty উঠাই দিয়াত সেইটো কমি গ'ল। এইটো কেন্দ্ৰীয় চৰকাৰে আমাৰ প্ৰতি ঘোৰ অন্যায় কৰিছে। আজি ভাৰত চৰকাৰে অসমৰ চাহৰ Tax ৰ অংশ পাই অথচ Tax ৰ বেলিকা uniform কৰি দিয়া নাই। এতিয়া Tea Industry ৰ 60 p.c. হব Agricultural আৰু 40 p.c. হব Industry সেইটোকে এতিয়া maintain কৰিব লাগে।

বৰ্ত্তমান অৱস্থাত আমি Agricultural income ৰ ওপৰত আবদ্ধ আছো গতিকেই আমাৰ বিপদ হৈছে। এতিয়া এনেকুৱা পৰিস্থিতি হৈছে যে ভাৰত Govt :ৰ Tax policy ৰ কাৰণে

court যাব লাগিব। গতিকে এই কথাটো ঘোৰ অন্যায় হৈছে ; এইটো Unconstitutional হৈছে। ভাৰত চৰকাৰৰ Tax policy টোৰ কাৰণে আমি ভাৰত চৰকাৰক আপত্তি কৰিছো আৰু অভিযোগ জোৰ দি কৰিছো। গতিকে এই কথা বিলাক উল্লেখ কৰি আমি প্ৰধান মন্ত্ৰীলৈ স্মাৰক পত্ৰ দিছো।

( Voice—এই constitution বিৰোধী কথা আমাক কৈছে নে ভাৰত চৰকাৰক কৈছে )

ভাৰত চৰকাৰকেই আমি কৈছো। আৰু Prime Minister Memorandum দিয়া হৈছে। ইয়াত "Assam, বুলি কোৱা হৈছে এইটো এটা general শব্দ। এইটোৰ কাৰণে কাচাৰ জিলাই ভাবিব নালাগে যেন তেওঁলোকক বাদ দিয়া হৈছে।

মাননীয় সদস্য শ্ৰীবৰুৱাই কৈছে Tea Auction Centre টো গুৱাহাটীত খুলিব নেকি ? অসম চৰকাৰে এইটো সিদ্ধান্ত লৈছে যে Tea Auction centre টো গুৱাহাটীতেই খুলিব আৰু June ৰ শেষৰ ফালে নহলে July মাহত আৰম্ভ হব। এই সৰ্ম্পকত All concerned ৰ লগত আলোচনা কৰা হৈছে আৰু সকলোৱে এই সিদ্ধান্তটো ভাল পাইছে। পশ্চিম বঙ্গই অৱশ্যে ইয়াত protest কৰিছে। মই কব খুজিছো মই কও পশ্চিম বঙ্গই প্ৰটেষ্ট কৰাৰ কোনো যুক্তি নাই কাৰণ চাহ অসমত উৎপাদিত হয়। মই চাহৰ কাৰণে Bengal ত Auction centre নাপাতি অসমত কৰাটো যুক্তি সঙ্গত কথা আৰু সেইবাবে আমি Bengal ক বিদ্বেস কৰিছো বুলি ভাবিলে অন্যায় হব। এই চাহ কলিকতাত বিক্ৰী হওঁতে ৩ মাহ সময় লাগে কিন্তু ইয়াত হলে একে মাহতেই হব। দুমাহ সময় কমি যাব। বৰ্ত্তমান কলিকতাত ১৫ কোটি টকা মূল্যৰ চাহ বিক্ৰী বন্ধ হৈ আছে। আমাৰ ইয়াত হলে বিক্ৰী সোনকালে হব। ইয়াৰ ওপৰিও এতিয়া কলিকতাৰপৰা গুৱাহাটীলৈ দিনে ৭ টাকৈ Air flight আছে। আৰু তাৰপৰা একে দিনাই ক্যাম কৰি গুছি যাব পাৰে। তাৰ উপৰিও ware House ও ৰেল

লাইনৰ দাতিতেই আছে। গতিকে কলিকতাৰ যি কোনো ওচৰৰ Port তলৈ পঠোৱাৰ সুবিধা হব ।

Shri Atul Chandra Goswami : সজালো পৰালো নগাই নিব বুলি নগাই নিনিয়ে মাজ ডাঙৰ বুলি হব নেকি ?

Shri Kamakhya Prasad Tripathi : যি নহওক চাহ Auction centre টো আমাৰ ইয়াতেই হব।

তাৰ পাচত petrol tax সম্পৰ্কত Royality ১০ টকাতকৈ বেছি কৰিব লাগে বুলি কৈছে । কিন্তু কেন্দ্ৰীয় চৰকাৰে সেইটো কৰিব খোজা নাই । শ্ৰীযুত গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰবীয়াই কৈছে আৰু এই বৃদ্ধি আমিও বিচাৰো আমি আগতেই Prime Minister ক বঢ়াবলৈ কৈছিলো কিন্তু তেখেতে ৭½ টকাৰ ঠাইত ১০ টকা কৰিলে ১২½ টকা নকৰিলে তথাপি আমি এই বিষয়ত এৰা দিয়া নাই আৰু এই বৃদ্ধিৰ কাৰণে চেষ্টা কৰি আছো।

তাৰ পাচত বাৰউনীত Refinery কিয় হল ইয়াৰ ফলত crude oil লৈ pipe ৰে নি তাত পৰিশোধন কৰি বিক্ৰী কৰে। তাৰ ফলত বিহাৰ চৰকাৰে Sale Tax পায়। এইটো কেন্দ্ৰীয় চৰ-কাৰৰ Agrement । এই কেন্দ্ৰীয় চৰকাৰৰ Agrement টো Revise কৰিবৰ কাৰণে আমি প্ৰেট্ৰল Minister ৰক লগত লিখা লিখি কৰি আছো।

Shri Dulal Chandra Baruah : এই সম্পৰ্কত মই কব খুজিছো যে আগৰ যিটো Pricing Roylity আছিল সেইটো সুবিধা জনক নহয়। সেইটো কি ভিত্তিত কৰা হৈছিল। সেই কাম জৱাহৰলাল Prime Minister হৈ থাকোতেই লিখা লিখি হৈছিল। তেতিয়াৰ পৰা বহুত দিন পাৰ হল বৰ্ত্তমানৰ বাইদেৱৰ নাতিয়েকৰ দিনতহে হব নেকি ?

Shri Kamakhya Prasad Tripathi : Pretolium price ৰ বিষয়-

টো চাহ কমিচনে Report Submite কৰিছে। তেওঁলোকে কৈছে Every Refinery will be pricing point—কিন্তু আগতে গুৱাহাটী Refinery টো তাত ধৰা হোৱা নাছিল আৰু আগতে pricing ত সকলো বিলাক খৰচ ধৰিছিল। কিন্তু এতিয়া সেই Transport আদি charge বিলাক চাহ কমিচনৰ তদন্তত কমাই দিবলৈ কৈছে আৰু তাৰ ফলত দাম কমি যাব। এই সৰ্ম্পকত মই শুনা মতে দিল্লীত আলোচনা চলি আছে আৰু এই বিষয়ত সিদ্ধান্তত উপনিত হৈছেনে মই কব নোৱাৰো। যদি আমি ভবা মতে ভাৰত চৰকাৰে এই সিদ্ধান্ত লয় তেনেহলে pretrol ৰ দাম কমি যাব।

ব্ৰহ্মপুত্ৰ Commission সৰ্ম্পকত মই কব খুজিছো যে কেন্দ্ৰীয় চৰকাৰে এই সৰ্ম্পকত Free Feir Commission এটা গঠন কৰিছে। এই কমিচনটোৰ বিভিন্ন Feire ৰ অসম চৰকাৰ প্ৰতি নিধি আছে। এই কমিটিটো গঠন কৰিছে হয় কিন্তু ইয়াত টকা Invest কৰাৰ ক্ষেত্ৰত State Govt. তেই নে কেন্দ্ৰীয় চৰকাৰেই কৰিব অথাৎ কোনে কিমান কৰিব সেইটোৰ সিদ্ধান্ত লোৱা নাই। মাননীয় সদস্যই বঙ্গৰে ভাক্ৰানাঙল আৰু দামোদৰ ভেলি project ত যি দৰে গ্ৰান্ত দিছিল সেইদৰে আমাৰ ইয়াৰ প্ৰবল প্ৰতাপি ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দিব লাগে। কাৰণ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণত যি টকা Invest কৰিব লাগিব সেই টকা অকল অসম চৰকাৰে তো নোৱাৰেই কেন্দ্ৰীয় চৰকাৰেও বোধ হয় International সহায় লব লগীয়াত পৰিব পাৰে। আমি ভাৰত চৰকাৰক কৈছো যে এই খৰচ আমি দিব নালাগে।

চতুৰ্থ পৰিকল্পনাত অসমে ১৫ কোটি টকা খৰচ কৰিব আৰু বাকী ১৫ কোটি টকা Planning Commission ৰ পৰা উলিয়াব লাগিব।

(সময়ৰ সঙ্কেত)

Mr. Speaker ঃ সময় শেষ হৈছে আপুনি আৰু কিমান সময় লব ?

Shri Kamakhya Prasad Tripathi : আৰু প্ৰায় আধাঘণ্টা সময় লাগিব। এতিয়া আমাৰ বিভাগীয় মন্ত্ৰী দিল্লীলৈ গৈছে মোৰ বোধেৰে এইটো final কৰি আহিব। এবাৰ Commission set-up কৰিলেই ভাৰত চৰকাৰে বিবেচনা কৰিবলৈ বাধ্য হব।

তাৰ পাছত ভাৰত চৰকাৰে অসমত paper pulp Mill আৰু cement corporation পাতিবলৈ সিদ্ধান্ত কৰিছে। তিনিবছৰ গলেই আৰু দুবছৰহে বাকী আছে। কিন্তু এতিয়ালৈকে একোৱেই কৰা নাই। অসম চৰকাৰে নিজে এটা সৰু paper mill যোগীঘোপাত পাতিবৰ কাৰণে বিহাৰ চৰকাৰে পেলাই থোৱা সৰু Machine এটা লবলৈ স্থিৰ কৰা হৈছে। কিন্তু paper corporation এ License দিবলৈ অমান্তি হৈ কৈছে যে paper mill ৰ কাৰণে Raw material ক'ত পাব ? আৰে ভাৰতবৰ্ষৰ ভিতৰত Raw material আছে যদি অসমতেই বেছি আছে ! তেনে অৱস্থাত সৰু এটা Industry ৰ কাৰণে Raw material ক'ত পাব বুলি কৈ আমাক Delay কৰিছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীচামচোল হোদাৰ লগত মোৰ মত মিলিছে। কাৰণ ভাৰত চৰকাৰেও ভাবিছে যে কোনো ৰকম পাঁচ বছৰ পাৰ হলেই হয় এই পাঁচ বছৰৰ ভিতৰত যাতে Industry ও এটা নহয় তাকে ভাবিছে। এইটো কাৰ্য্যক্ষেত্ৰত পৰিলক্ষিত হৈছে যেন লাগে, কিন্তু মোৰ বোধেৰে এই আশঙ্কাটো অসত্য। গতিকে ভাৰত চৰকাৰে এই আশঙ্কাটো অসত্য কৰিবৰ কাৰণে এই industry বিলাক দিব লাগে। অৱশ্যে এই বছৰেই আমাৰ এই paper আৰু cement ৰ যিটো কাম হব লাগিছিল সেইটো হোৱা নাই। ইয়াৰ কাৰণে এতিয়ালৈকে টকা দিয়া নাই সেই কাৰণে আমিও দুখ পাইছোঁ।

তাৰ পাছত মাননীয় সদস্য সকলে Employment ৰ কথা Raise কৰিছে। Employment ৰ কথাত মই আংশিক ভাৱে

কৈছো যে আমাৰ plan বিলাক industrial investment মুখী নোহোৱা কাৰণে Unemployment problem ৰ সৃষ্টি হৈছে। আমি Industry আৰু Agriculture ত invest কৰিলেহে employment potential হব। আমি যদি Industry and Agriculture ত invest কৰো আৰু ভবিষ্যতেও কৰিবলৈ ৰাজী হওঁ তেতিয়াহলে employment potential সোণকালে হব। কিন্তু আমি এতিয়া ৩০ কোটি টকা খৰচ কৰিছোঁ সাধাৰণ শিক্ষাৰ কাৰণে আৰু তাৰ বিনিময়ত যিবিলাক লৰাছোৱালী হব। সেইবিলাকক উপযোগী নাগৰিক ৰূপে গঢ়িবলৈ খৰচ কৰিছোঁ মাত্ৰ ৮ কোটি টকা; অৰ্থাৎ এতিয়া ৩০ কোটিৰ বিনিময়ত আমি খৰচ কৰিছো মাত্ৰ ৮ কোটি টকা। সেই কাৰণেই employment ৰ ক্ষেত্ৰত potential কম হৈছে। ১৯৫১ চনত employment potential আছিল ৬০ হেজাৰ আৰু ১৯৬৮ চনত হ'ল ৮০ হেজাৰ। এই ২০ বছৰত ২০ হেজাৰ বাঢ়িছে। অৰ্থাৎ বছৰি ১ হেজাৰকৈ বাঢ়িছে। এইটো নগন্য। আমি 4th plan ত প্ৰায় ১৩ লক্ষ্য মানুহক employment দিব লাগিব। কিন্তু শিল্প মন্ত্ৰীয়ে কৈছে যে এই 4th plan ত মাত্ৰ একলক্ষ্য মানুহকে employment দিব পৰা হব যদি Industry বিলাক হয়।

(Voices এতিয়া আকৌ যদিটো লগালে)

মই এটা হিচাব কৰি চাইছো যে এজন মানুহক employment দিবৰ কাৰণে ১০ হেজাৰ টকা খটাব লাগে গতিকে ১৩ লক্ষ্য মানুহৰ কাম দিবৰ কাৰণে ১৩ শ কোটি টকা invest কৰিলেহে এই সমস্যা সমাধান হব। কিন্তু গোটেই চতুৰ্থ পৰিকল্পনাত অসম চৰকাৰে invest কৰিব পাৰিম মাত্ৰ ২৬০ কোটি টকা আৰু ভাৰত চৰকাৰে invest কৰিব মাত্ৰ ৫০০ কোটি টকা। গতিকে এতিয়া আমি এই খিনিৰে সমস্যা সমাধান কৰিব নোৱাৰোঁ। সেই কাৰণে employment potential বঢ়াবৰ কাৰণে production বঢ়াব লাগিব।

Agriculture ত আমি কিছু Develope কৰিছোঁ। কিন্তু Situation টো Dynamic সেইটো আপোনালোকে দেখিছেই এতিয়াৰদৰে কিছুমান experimental Farm কৰি Pilot Project কৰি High yielding paddy cultivation কৰি —production বঢ়াব নোৱাৰি। praduction বঢ়াবলৈ হলে আধুনিক পদ্ধতিৰে খেতি কৰি Fertiliser ব্যৱহাৰ কৰি—Parenuial irrigation কৰিব লাগিব।

যদি আমাৰ cost of living হয়, তেন্তে উৎপাদন বা উন্নতি কিয় নহব। তাৰ মানে আমি উৎপাদন বঢ়াবলৈ চেষ্টা কৰা নাই। এতিয়া বিহাৰৰ পৰা শাক পাচলি আহে, লক্ষ্ণৌৰ পৰা দাইল আহে, পঞ্জাৱৰ পৰা ছাগলী আহে। ইয়াত কি justification আছে ? গতিকে যি বিলাক ইয়াত উৎপাদন হয় সেই বিলাক উৎপাদন কৰিব লাগে আমাৰ যিটো জাতীয় income সেইটো বঢ়াবলৈ চাব লাগে। আমাৰ যদি Agriculture Develop হয়; তেন্তে আমাৰ National income ও বৃদ্ধি হব।

সেই কাৰণে Agricultural transformation হব লাগে, মানুহ বিলাক অন্যান্য খেতিলৈকো যাব লাগে আৰু Parenuial irrigation হব লাগিব। কিন্তু আচৰিত কথা, জানিব পাৰিছো যে যমুনা irrigation project তো Parenuial irrigation নাই। বৰষুণ আহিলেহে পানী পাব আৰু বৰষুণ নহলে পানী নাই। আমাক খৰালি পানী লাগে। খৰালি পানী নোহোৱা irrigation কৰি কোনো লাভ নাই। E.N.D আৰু flood control দুয়োটা একেলগে ৰখাটো ভুল। এই কাৰণে আমাৰ যিমানবিলাকৰ ঘৰ কৰা হৈছে তাৰ Design নাই। America ৰ ছোৱালী এজনীয়ে কৈছে যে দিল্লীৰ ঘৰবিলাকৰ কাৰণে দিল্লী চাবলৈ আৰু দিল্লীত থাকিবলৈ ইচ্ছা হয়। এই বিভাগটো অফিচাৰৰ সুবিধাৰ কাৰণেই ফালিবলৈ অসুবিধা হৈছে কিন্তু আজি Specialisation ৰ যুগ। সেই কাৰণে বিভাগটো ফালি দিব লাগে। তাকে নকৰিলে Specialisation নহব।

বেংক বিলাকে ঋন দিবলৈ আগবাঢ়ি আহিছে। কিন্তু মাননীয় সদস্য সকলে কৈছে যে বেংকৰ কথা তেখেতসকলে বুজা নাই। সিদিনা Commercial Bank ৰ মানুহ কেইজনমান আহিছিল তেতিয়া মই তেওঁলোকক কলো যে তোমালোকে form বিলাইছে হয় কিন্তু উপ-দেশ নাপালে মানুহে কেনেকৈ ঋন লয়? গাঁৱে ভূঞে বেংকৰ একোটা centre কৰিব পাৰিলেহে বেংকো চলিব আৰু খেতিয়কৰো সুবিধা হব। আৰু কৈছিলো যে বেংকৰ Agent বিলাকক Re-orientation Training দিব লাগে যাতে মানুহক কৃষি মুখী কৰিব পাৰে। State Bank ৰ পৰা দুহেজাৰৰ পৰা আৰম্ভ কৰি ২।৩ লাখলৈকে টকা ঋন দিবলৈ ওলাইছে। ভাৰত চৰকাৰে ৩ টা lead Bank ক টকা দিবলৈ ইয়াৰ উপৰিও কেইটামান Commercial Bank এ ধেন দিবলৈ দিছে। ধৰিছে আৰু মই আশা কৰো যে আমাৰ শিক্ষিত ডেকা ল'ৰা বিলাকে চৰকাৰী চাকৰীলৈ নাহি Self employment লৈ আহিব লাগে। Agriculture, Commerce, Industry আদিলে মানুহ যাব লাগে বুলি চৰকাৰে কলে মানুহৰ সন্দেহ হয়। সেই কাৰণেই আমাৰ বিৰোধী দলৰ লোক সকলেও মানুহবিলাকক এই পথলৈ নিব লাগে। সিদিনা শিৱসাগৰৰ পৰা এজন লৰা মোৰ ওচৰলৈ চাকৰি বিচাৰি আহিছে; মই কলো যে চাকৰি নালাগে লোণ লোৱা, তেতিয়া লৰা-জনে কলে ঋন কত পাম, তেতিয়া মই বেংকলৈ যাবলৈ কলো। তাৰ পিচত লৰা জন আকৌ আহি মোক কলেহি বোলে বেংকে ঋণ নিদিয়ে তেতিয়া মই Bank ৰ লগত যোগাযোগ কৰিলো আৰু লৰাজনে ঋন পালে।

Shri Gaurisankar Bhattacharyya : প্ৰত্যেকেই মন্ত্ৰীৰ ওচৰলৈ আহিব নোৱাৰিবও পাৰে।

Shri Kamakhya Prasad Tripathi : আপোনালোকৰ ওচৰলৈ গলেও হব নহয়। শিক্ষিত ডেকা লৰাই ঋন লবলৈ বিচাৰিলে যি বিলাক বাধা বিঘিনি আহিব সেইবিলাক মন্ত্ৰী level ত সদস্যৰ level

চেষ্টা কৰিলেহে আমি এই দিশত কিছু কাম কৰিব পাৰিম। তদুপৰি আমি যদি Public Sector ত unity কৰিব নোৱাৰো তেনেহলে আমাৰ বিত্তীয় পৰিস্থিতি উন্নত কৰিব নোৱাৰো, সেই কাৰণে যি বিলাক public Sector Industry ৰ অধ্যক্ষ হিচাবে আছে তেওঁ বিলাকক জনাই দিব লাগে যে তেওঁলোকে যদি লাভ কৰি দিব নোৱাৰে তেনেহলে তেওঁলোকৰ প্ৰতি ব্যৱস্থা লোৱা হব।

D.A. ৰ বিষয়ে কওঁ যে আমি ৭৫০ টকালৈকে দৰমহা পোৱা লোককো D.A দিছো। তেওঁলোকে ২৫ টকা বিছাৰিছিল আমি ১৬ টকা দিছো। তেতিয়া তেওঁলোকে কিড্‌বাই চাহাবৰ লগত Compromise লৈ আহিছিল আৰু ২০টকা স্থিৰ হ'ল।

Shri Dulal Chandra Barua : এইটো তেওঁবিলাকে মানি লৈছে নেকি ?

Shri Kamakhya Prasad Tripathri : হয় মানি লৈছে।

Shri Dulal Chandra Barua : মই জনাত Conditional বুলিহে মানি লৈছে।

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই জানে যে Trade union ৰ rule মতে যিটো মানি লব সেইটোয়ে মানি লোৱা বুলি ধৰা হয়। Agricultural Sector ৰ Development হৈছে বিশেষজ্ঞ সকলে Revaluate কৰিছে। Teachers sallary উন্নত হোৱা নাই বুলি কৈছে। গতিকে Government ৰ Purpose হৈছে Sallary বঢ়াই যাবৰ কাৰণে। তাৰ পিচত মাননীয় সদস্য সকলে প্ৰশ্ন তুলিছে Preventive Detention Act কৰিব নালাগে। এতিয়া Naxalites ৰ উপদ্ৰৱ বাঢ়িছে। তেওঁলোকে যিবিলাক কাম কৰিব খুজিছে সেইবিলাকত যদি কৃতকাৰ্য্য হয় তেন্তে Democracy নাইকীয়া হব, Parlia mentary Govt, Non Violence নাইকীয়া হব। এতিয়া যদি সেই বিলাকক বাধা দিয়া নহয় তেন্তে পিচত বিপদ

হব। এতিয়া চাৰিটা grue some murder হৈছে। হাত কাটি ভৰি কাটি, মূৰ কাটি পেলাই দিছে। পৰিণামত কোনো মানুহে সাক্ষী দিবলৈ সাহস নকৰিব। গতিকে সাক্ষী দিবৰ কাৰণে সাহস নকৰিলে Justice Machinery টো আচল হৈ যাব আৰু কাকো শাস্তি দিয়া সম্ভৱ নহয়। Preventive Detention Act ৰ উদ্দেশ্য হৈছে বেয়া কাম কৰাৰ আগতে বাধা দিব লাগে কাৰণ বেয়া কাম কৰাৰ সাক্ষী দিবলৈ কোনো নাহে। সেইটো কৰিবৰ কাৰণে এই Act কৰা হৈছে। ঠিক গগৈয়ে কৈছে। Non-Violence ক যিসকলে বিশ্বাস কৰে তেওঁলোকে একেলগে সন্মিলিত হৈ দেশত Political climate সৃষ্টি কৰাৰ কাৰণে যত্ন কৰিব লাগে। এতিয়া Originating যদি স্থাপন, কৰো আৰু Resist কৰিব পাৰো তেন্তে আইন নিস্প্ৰয়োজন হৈ যাব। আইন বস্তুটো এটা Frame আইনটো Democracyৰ ৰক্ষা কবচ হিচাবে থাকে। আইন যদি প্ৰয়োগ কৰা নহয় তেন্তে সমাজ তিকি থাকিব নোৱাৰে। যদি ৯০% ভাগে চুৰি কৰে আৰু ১০% ভাগ ভালে হলে নহব। যদি ১০% ভাগ চুৰি কৰে আৰু ৯০% ভাগে নকৰে, তেন্তে তাক আমি আইনৰ দ্বাৰা ভাল কৰিব পাৰো গতিকে Democracy ৰক্ষা কৰিবৰ কাৰণে সকলোৱে সন্মিলিত প্ৰচেষ্টা চলাব লাগে। Prime-minister নেহৰুৱে Join কৰিবৰ কাৰণে সকলোকে আহ্বান জনাইছিল। কমিওনিষ্ট সকলে যদিও Violence আদৰ্শ হিচাবে এৰি দিয়া নাই তথাপিতো কাৰ্য্য পদ্ধতিত Non-Violence গ্ৰহন কৰিছে। শ্ৰীফণী বৰাই আদৰ্শ হিচাবে Violence এৰি দিয়া নাই কিন্তু কাৰ্যতঃ Non-Violence গ্ৰহণ কৰিছে। আজি Violence growth কৰিবৰ কাৰণে ক্ষমতা নাই। আজি ভাৰতত কোনো বিপদ হলে বা বেঙ্গলক Control কৰিবৰ কাৰণে আইন লাগে। ভোক লাগিলে চৰু তুলিলে কেনেকৈ হব। অজয় মুখাৰ্জীৰ নিচিনা নালাগে। কবলৈ বাধ্য। গতিকে politics কৰিব খোজা হয় তেন্তে লগে লগে কৰিব লাগে। Administration ৰ ফালৰপৰা আশা কৰো যে Administration ৰ কিবা Step লব লগা আছে, তাৰ কাৰণে

আইনৰ লেকনা, gap আছে। সেই gap fillup কৰাৰ কাৰণে আমাৰ দায়িত্ব আছে। সেই আইনৰ যদি gap fillup কৰি নিদিও তেন্তে কাৰ্য্যত একো নহব।

Dr. Bhupen Hazarika : সেই circular ঘন clause by clause দিয়া হৈছে নেকি ?

Shri Gaurishankar Bhattacharyya : মনে মনে আছো কাৰণে মন্ত্ৰীজনে যেন নাভাৱে যে সকলো কথা গ্ৰহণ কৰি আছো। অবান্তৰ কথা কৈছে। হত্যাকাণ্ড ৰোধ কৰিবৰ কাৰণে Preventive Detention Act কিয় লাগিছে ৩০২ ধাৰা আছে। Preventive Detention Act এ কেতিয়াও ফাঁচী দিব নোৱাৰে।

Shri Kamakhya Prasad Tripathi : সাক্ষী দিবলৈ তেওঁলোক নাই।

Shri Gaurisankar Bhattacharyya : যেতিয়া মানুহৰ বিৰোদ্ধে বেয়া বুলি প্ৰমাণিত হয়, তেতিয়া সেইজন মানুহক জেইলত ৰখাৰ অধিকাৰ আছে।

Shri Kamakhya Prasad Tripathi : কিন্তু যেতিয়া যুদ্ধ হয়।

Shri Gauri Shankar Bhattacharyya : জনসাধাৰণৰ লগত চৰকাৰৰ যুদ্ধ চলিছে নেকি ? যেতিয়া কোনোবাই হত্যাকাণ্ড কৰিছে আৰু তেওঁক ধৰিছে, আইন আছে, আদালত আছে ফাচী দিয়ক। আইন আদালত কৰি দোষী চাই শাস্তি দিয়ক। অমুক ঠাইত হত্যাকাণ্ড হৈছে বিনা বিচাৰে তিনিশ মানুহক আটক কৰিছে। এই বিলাক জংঘলৰ আইন, যিহেতু বিনা বিচাৰে আটক কৰিছে। আইন আছে দোষীক শাস্তি দিয়ক।

Shri Kamakhya Prasad Tripathi : যি জনক দোষী সাব্যস্ত কৰাৰ উপায় নাথাকিব, তেতিয়া কি কৰিব ?

Mr. Shamsul Huda : বিনা বিচাৰে আটক কৰিছে।

Shri Dulal Chandra Barua : এতিয়া আমি দেখিছো যে এই বিলাক Political purpose ত হে বিবেচনা কৰা হয়।

Shri Gauisankar Bhattacharyya : এই Preventive Detention আইনৰ যেতিয়া আলোচনা হব তেতিয়া আমি দেখিম। তেতিয়া আপোনালোকৰ মাজৰে Indicate পন্থী সদস্য শ্ৰীদেৱকান্ত বৰুৱা শ্ৰীমইনুল হকচৌধুৰী তেখেত সকলেও আমাক সমৰ্থন কৰিব।

Shri Kamakhya Prasad Tripathi : এতিয়া ১২ টা বাজিলেই বাকী বিলাক কথা কবলৈ সময় নাই। মই মাননীয় সদস্য সকলক অনুৰোধ কৰো যে এতিয়া যিটো বিত্তীয় পৰিস্থিতি অসমৰ হৈছে এই পৰিস্থিতিত এতিয়া আমি চৰকাৰ তথা বিৰোধী দুয়োপক্ষই মিলি এটা যত্ন নকৰিলে বিত্তীয় এই পৰিস্থিতিৰপৰা ওলাব কোনো উপায় নাই যদি মাননীয় সদস্যসকলে দুয়ো পক্ষই মিলি পৰিস্থিতিৰ বিষয়ে বিবেচনা কৰে তেতিয়াহলে এটা ডাঙৰ planৰ ভালৰ কাৰণেই বিবেচনা কৰা হব

Shri Dulal Chandra Barua : তেনেকুৱা ধৰনৰ পৰীক্ষা কৰিবৰ কাৰণে বিত্তবিভাগক অনুৰোধ কৰিছো। আজি যি financial crisis এই পৰিস্থিতিটো ভালকৈ পৰ্য্যালোচনা কৰিব লাগিব। এইটো সম্পৰ্কত এটা কমিটি গঠন কৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিল। All India Committee কৰি Hotel Industry আদিৰ কাৰণেও কিছু সহায় দিব পাৰিলেহেতেন।

সিদিনাখন এই প্ৰসংগত মাননীয় সদস্য শ্ৰীফনী বৰা ডাঙৰীয়াই প্ৰশ্ন কৰিছিল বিত্তমন্ত্ৰী ডাঙৰীয়াক। তেখেতে বহুত ভাবি চিন্তি

'কলে যে, এইটো পাচত আমি বিবেচনা কৰি চাম । অথাৎ তেখেতে নিজে কৈছে যে, এই ফালে সকলোৱে আগবাঢ়ি আহিব। কিন্তু এতিয়ালৈকে মনত কি কৰিছে নাজানো। ইয়াৰ আগতে এটা কমিটি কৰিছিল। সেই কমিটিৰ জৰীয়তে কি কি বিষয়ত Tax লব পৰা যায় সেই বিষয়ে পৰামৰ্শ দিব লাগিছিল। কিন্তু সেই কমিটি কৃতকাৰ্য্য নহল। কাৰণ মাননীয় সদস্য সকলে প্ৰাচলৈ Attend নকৰা হ'ল।

Shri Gaurisankar Bhattacharyya : এতিয়া ধৰক Parliament House of commons ত Ways and Means কমিটি। লোকসভাত Consultative Committee পাতি দিয়া হৈছে আৰু তাত Public utility committee আন আন ৰাজ্যতো আছে। এই কমিটিয়ে চৰকাৰৰ যিবোৰ Loan ব টকা এইবোৰ কেনেকৈ ব্যৱহাৰ হৈছে সেইটো চায় লগে লগে Employment Position ও চায়। অধ্যক্ষ মহোদয় আপুনি এটা Rules কমিটি কৰি দিছে। যদি মাননীয় সদস্যৰ কাৰোবাৰ কিবা পৰামৰ্শ থাকে এই Rules কমিটিত আলোচনা কৰি চাব পাৰে। আজি আমাৰ ইয়াত Public utility committee or ways & means commi-ttee হব পৰা নাই। আজি চৰকাৰে Tax লগাই আৰু এই Tax আমাৰ দুখীয়া মানুহ সকলৰ ওপৰত জাপি দিয়ে। কিন্তু এই Tax খিনি ৰাইজৰ কাৰণে খৰচ কৰা হৈছেনে? যদি আজি এই কমিটি কৰি দিয়া হয় তেতিয়াহ'লে মোৰ বোধেৰে এই বিলাকৰ কিছু ভাল হব।

Shri Dulal Chandra Borua : এইটো বৰ আৱশ্যকীয় বস্তু। ইয়াত Industiral utility ৰ কথা আছে।

টকা পইচা কত কিমান দিলে এইবোৰ চালি জাৰি চাবলৈ বা বিশেষভাৱে আলোচনা কৰিবলৈ কিছুমান মেচিনাৰী থকাৰ দৰকাৰ। যিটো নহলে আমাৰ মনত সন্দেহ হয়। ামি আপো-

নাক বিশ্বাস নকৰা নহয়। তথাপি অধ্যক্ষ মহোদয় ইয়াৰ কাৰণে ভাল ব্যৱস্থা হব লাগে।

Shri Kamakhya Prasad Tripathi : Ways and Means আৰু public utility এই দুয়োটা অৱস্থা বিবেচনা কৰিম। লগতে বহুদিন আগতে P. W. D ৰ যি wastage ৰ কথাত কমিটি কৰিম বুলি কোৱা হৈছিল ইয়াৰ এটা High Power কমিটি কৰিব লাগিব। ইয়াৰ এটা Price Sample Survey কৰিবৰ কাৰণে তিনিবছৰ যত্ন কৰিও কৰিব পৰা নাই। ইয়াৰ কাৰণ আছে যে শ্ৰীৰহিমুদ্দিন চাহাবে কোৱাৰ দৰে ৩ লাখ টকাৰ Esimate কৰি ৮০ হাজাৰতে কাম কৰিলে। আজি গড়কাপ্তানি বিভাগৰ এনেকুৱা অৱস্থা হৈছে। আজি এটা High Power কমিটি কৰি দিলেই এওলোক অলপমান সাৱধান হব। আজি Public Accounts committee আছে। আজি চৰকাৰে কিছুমান বস্তু কিনিছে। কিছুমান parts কিনিছে। এই বিলাকৰ ভাল ব্যৱহাৰ হয়নে নহয় বা তাৰ প্ৰয়োজন আছেনে নাই তাক চাব লাগে।

গতিকে এইটো কৰি দিলে এই অপচয় কমাব পৰা যাব। আৰু এইটো কাৰ্য্যত পৰিণত কৰিবলৈ আমি আচলতে সাহস পোৱা নাই।

## ADJOURNMENT

The House then adjourned till 10 A. M. on Monday the 11th May 1970.

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong
The 8th May 1970